Content includes AI-generated material

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, FEBRUARY 15, 2025 ■ শনিবাৰ, ২ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৫০ Guwahati, Assam ।। মূল্যঃ এটকা

## হাগ্ৰামাই টিকটৰ বজাৰ খুলিছেঃ প্ৰমোদ



বিতং বাতৰি ৯ নং পৃষ্ঠাত

## দেশৰ নিৰাপত্তা ব্যৱস্থা দক্ষ লোকৰ হাতত নাইঃ উৎপল শৰ্মা

### গৌৰৱ গগৈ-হিমন্ত বিশ্বৰ যুঁজত আছুৰ এন্ট্ৰী

গৌৰৱক স্থিতি স্পষ্ট কৰাৰ আহ্বান



ই-সংবাদ, ১৪ ফেব্ৰুৱাৰীঃ যোৰহাটৰ সাংসদ গৌৰৱ গগৈক ৰাষ্ট্ৰদ্ৰোহী সজাবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শেষাংশ ৩ পৃষ্ঠাত

## মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰৰ স্থলাভিষিক্ত হ'ব জ্ঞানেশ কুমাৰ!

নতুন দিল্লী, ১৪ ফেব্ৰুৱাৰীঃ কোন হ'ব দেশৰ পৰৱৰ্তী মুখ্য নিৰ্বাচন আয়ুক্ত, তাক লৈ এতিয়া চলিছে ২ পৃষ্ঠাত চাওক

## আকৌ ৯০০ কোটিৰ ঋণ ল'ব ৰাজ্য চৰকাৰে


ই-সংবাদ, ১৪ ফেব্ৰুৱাৰীঃ ঋণৰ ওপৰত নিৰ্ভৰ কৰি চলিছে মুখ্যমন্ত্ৰী হিমন্ত ৩ পৃষ্ঠাত চাওক

## গৌতম আদানি প্ৰসংগক 'ব্যক্তিগত বিষয়' আখ্যা প্ৰধানমন্ত্ৰীৰ

# মাৰ্কিন সাংবাদিকৰ কঠিন প্ৰশ্ন, অস্বস্তিত মোদী!

■ ভাৰত এখন গণতন্ত্ৰ, 'সমগ্ৰ পৃথিৱীখনেই এটা পৰিয়াল' বুলি মন্তব্য

ৱাশ্বিংটন, ১৪ ফেব্ৰুৱাৰীঃ ভাৰতীয় সাংবাদিকৰ সাহস নহ'লেও আমেৰিকাত অপ্ৰত্যাশিতভাৱে আদানিক লৈ প্ৰশ্নৰ সন্মুখীন হ'বলগীয়া হ'ল ২ পৃষ্ঠাত চাওক



যৌথ সংবাদমেলত প্ৰধানমন্ত্ৰী মোদী

## সন্ত্ৰাসবাদ! যৌথ বিবৃতি ট্ৰাম্প-মোদীৰ



বিতং বাতৰি ৪ পৃষ্ঠাত

## মহানগৰীত স্কুল বাছে পুনৰ কাঢ়িলে প্ৰাণ

ই-সংবাদ, ১৪ ফেব্ৰুৱাৰীঃ আজি পুৱাই গুৱাহাটীৰ বৰাগাঁৱত ৰাষ্ট্ৰীয় ৩ পৃষ্ঠাত

## ব্যৱসায়ীক ছুৰীৰে আক্ৰমণ

ই-সংবাদ, ১৪ ফেব্ৰুৱাৰীঃ মহানগৰীৰ দিছপুৰ আৰক্ষী থানাৰ পৰা ২ পৃষ্ঠাত চাওক

## শিলচৰৰ পৰা উদ্ধাৰ ধেমাজিত নিৰুদ্দিষ্ট ছাত্ৰ

ই-সংবাদ, ১৪ ফেব্ৰুৱাৰীঃ অৱশেষত উদ্ধাৰ ধেমাজিত নিৰুদ্দিষ্ট ৫ ৬ পৃষ্ঠাত চাওক

### সাজু ধৰা অভিমুখী নাছাৰ যান

## ১৯ মাৰ্চত ঘূৰিব সুনীতা উইলিয়ামছ!



ৱাশ্বিংটন, ১৪ ফেব্ৰুৱাৰীঃ অৱশেষত অন্ত পৰিব দীঘলীয়া প্ৰতীক্ষাৰ। সুদীৰ্ঘ সময় মহাকাশত আৱদ্ধ হৈ থকাৰ পিছত অতি শীঘ্ৰে ২ পৃষ্ঠাত চাওক

## কুম্ভমেলালৈ গৈ গয়াত পথ দুৰ্ঘটনাত নিহত গুৱাহাটীৰ আনন্দ মোহন

ই-সংবাদ, ১৪ ফেব্ৰুৱাৰীঃ উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত অনুষ্ঠিত কুম্ভমেলাত স্নান কৰিবলৈ গৈ অসমৰ আন এজন ভক্তই মৃত্যুক ৪ পৃষ্ঠাত চাওক

## উত্তৰত সন্তুষ্ট নহ'ল হিমন্ত! আইনৰ দ্বাৰস্থ হ'ব বুলি ঘোষণা যোৰহাটৰ সাংসদ গৌৰৱৰ



ই-সংবাদ, ১৪ ফেব্ৰুৱাৰীঃ অসমৰ ৰাজনীতিত পুনৰ তুংগত উঠিছে সাংসদ গৌৰৱ গগৈ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সংঘাত। অসমৰ শেষাংশ ৫ পৃষ্ঠাত

### বন্দে ভাৰত ৰেলযোগে আজি আহিব ৰাজ্যপাল আচাৰ্য

## নকৈ সাজি-কাচি বাজেট অধিৱেশনলৈ সাজু কোকৰাঝাৰ

ই-সংবাদ, কোকৰাঝাৰ, ১৪ ফেব্ৰুৱাৰীঃ অসম বিধান সভাৰ বাজেট অধিৱেশন পোণপ্ৰথমবাৰৰ বাবে অহা ১৭ ফেব্ৰুৱাৰীত কোকৰাঝাৰৰ বিটিচি শেষাংশ ৬ পৃষ্ঠাত

### তাৰালাংছৰ বাকৰিত উখল-মাখল পৰিৱেশ

## আজিৰে পৰা ডিফুত আৰম্ভ কাৰ্বি যুৱ মহোৎসৱ

তাৰালাংছ' বাকৰিৰ পৰা ছাইদুল ইছলাম, ১৪ ফেব্ৰুৱাৰীঃ উত্তৰ-পূৰ্বাঞ্চলৰ আটাইতকৈ পুৰণি আৰু অন্যতম জনজাতীয় ৭ পৃষ্ঠাত



### অপেক্ষাৰ হ'ল অন্ত

## ছয় নং দফা, মুখ্যমন্ত্ৰীৰে হ'ব আছুৰ বৈঠক

ই-সংবাদ, ১৪ ফেব্ৰুৱাৰীঃ অসম চুক্তিৰ ছয় নং দফা অনুসৰি সাংবিধানিক ৰক্ষাকৱচ সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰে ৫ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## মাৰ্কিন সাংবাদিকৰ কঠিন প্ৰশ্ন, অস্বস্তিত

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে যৌথ সংবাদমেলৰ সময়তে সাংবাদিকে মোদীক সোধে আদানি বিষয়ক এক প্ৰশ্ন। অৱশ্যে স্বভাৱসুলভভাৱে তাতো এই প্ৰশ্ন এৰাই চলে প্ৰধানমন্ত্ৰীয়ে। মোদীৰ সন্মুখত প্ৰশ্ন উত্থাপন হৈছিল যে আমেৰিকাৰ ন্যায় বিভাগ আৰু ছিকিউৰিটিজ এণ্ড এক্সচেঞ্জ কমিছনে কোটিপতি ব্যৱসায়ী গৌতম আদানিৰ বিৰুদ্ধে দাখিল কৰা অপৰাধমূলক আৰু দেৱানী গোচৰ সন্দৰ্ভত মোদী আৰু ট্ৰাম্পৰ মাজৰ বৈঠকত কিবা আলোচনা হৈছিল নেকি? প্ৰশ্নৰ উত্তৰ দিবলৈ ইতঃস্তত কৰি মোদীয়ে ভাৰতৰ আতিথ্যৰ কথা উল্লেখ কৰি কয় যে এয়া ব্যক্তিগত বিষয়। তেওঁ কয়, "ভাৰত এখন গণতন্ত্ৰ, 'বসুদেৱ কুটুম্বকম'ৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত, অৰ্থাৎ পৃথিৱীখনেই এটা পৰিয়াল। প্ৰতিজন ভাৰতীয় এই পৰিয়ালৰ সদস্য, আৰু দুয়োখন দেশৰ মাজত হোৱা আলোচনাত আমি ব্যক্তিগত বিষয়ৰ ওপৰত আলোচনা নকৰো।" ইফালে প্ৰশ্নৰ উত্তৰত বিৰোধীয়ে আদানিৰ বিৰুদ্ধে উত্থাপিত অভিযোগক ব্যক্তিগত আখ্যা দি মোদীৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কয় যে মোদীয়ে 'আদানিৰ দুৰ্নীতি ঢাকি ৰাখিছে' আৰু ব্যক্তিগত স্বাৰ্থৰ বাবে এই বিষয়টো এৰাই চলিছে। কংগ্ৰেছে টুইটাৰত লিখিছে, "যেতিয়া ঘৰত প্ৰশ্ন কৰা হয়, মৌনতা; কিন্তু যেতিয়া বিদেশত প্ৰশ্ন কৰা হয়, তেতিয়া সেয়া ব্যক্তিগত কথা!" আনহাতে, ভাৰতৰ আন আন ৰাজনৈতিক দলসমূহেও মোদীৰ এই উত্তৰক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰে। আদানিৰ দুৰ্নীতি ঢাকি ৰাখি প্ৰধানমন্ত্ৰীয়ে "নিজৰ বন্ধুত্ব" দেখুৱাইছে বুলি দাবী কৰিছে আম আদমী পাৰ্টিয়ে। তেওঁলোকৰ ভাষাত "প্ৰধানমন্ত্ৰীৰ এই উত্তৰ অতি নিন্দনীয় আৰু লজ্জাজনক। আদানিৰ ঘৰুৱা সম্পদ চুৰি আৰু উৎকোচ ব্যক্তিগত বিষয় হৈ পৰিছে।" ইয়াৰ উপৰিও তৃণমূল কংগ্ৰেছৰ সাংসদ সাকেত গোখলেই মোদীক আক্ৰমণ কৰি কয়, "অৱশেষত মোদীয়ে আমেৰিকাত সংবাদমেল অনুষ্ঠিত কৰিবলৈ বাধ্য হৈছিল, কিন্তু তাতো তেওঁ সাংবাদিকৰ প্ৰশ্ন এৰাই চলিলে।" মোদীৰ আদানি বিষয়ত কৰা মন্তব্যই ভাৰতীয় ৰাজনীতিত তীব্ৰ বিতৰ্কৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## ১৯ মাৰ্চত ঘূৰিব সুনীতা উইলিয়ামছ!

ধৰালৈ উভতিব দুই মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু বুচ উইলম'ৰ। মহাকাশৰ পৰা দিয়া এক সাক্ষাৎকাৰত বুচে চিএনএনক উভতি অহাৰ তাৰিখ প্ৰকাশ কৰে। ১৯ মাৰ্চত দীঘলীয়া ৯ মাহৰ অন্তত মহাকাশৰ পৰা পৃথিৱীলৈ উভতি আহিব তেওঁলোক। বুচ উইলম'ৰে কেনেকৈ আৰু কোনখন মহাকাশযানত ঘূৰি আহিব সেই সন্দৰ্ভতো বিতং তথ্য প্ৰদান কৰে। উল্লেখ্য যে, সুনীতা আৰু বুচ যোৱা বছৰৰ জুন মাহত মাত্ৰ আঠ দিনৰ বাবে মহাকাশলৈ গৈছিল। কিন্তু যিখন মহাকাশযানত তেওঁলোকে পৃথিৱীলৈ ঘূৰি আহিব লাগিছিল, তাত যান্ত্ৰিক বিজুতি ঘটিছিল, যাৰ ফলত তেওঁলোক আবদ্ধ হৈ পৰিছিল। ইয়াৰ ফলত তেওঁলোকৰ মহাকাশ যাত্ৰা দীঘলীয়া হয়। সম্প্ৰতি আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰত নিয়োজিত হৈ আছে। শেহতীয়াকৈ নাছাই ঘোষণা কৰিছে যে ক্ৰু-১০ মহাকাশযানখনে ১২ মাৰ্চত উৎক্ষেপণ কৰিব, যাৰ ফলত সুনীতা আৰু বুচক পৃথিৱীলৈ ঘূৰাই আনিব। এই মহাকাশযানখনত আৰু চাৰিজন মহাকাশচাৰী থাকিব। ইয়াৰ ভিতৰত নাছাৰ এন্নে মেকলিন আৰু নিকোল আয়াৰ্চ, জাপানৰ টাকুয়া অনিছি, ৰাছিয়াৰ কিৰিল পেস্কোভ থাকিব মহাকাশযানখনত। মহাকাশ পোৱাৰ পিছত সুনীতাই তেওঁলোকৰ গৱেষণামূলক কামৰ বিষয়ে বুজাই দি পৃথিৱীলৈ উভতি আহিব। বুচে কয় যে সুনীতা বৰ্তমান আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ 'কমাণ্ডাৰ'। ক্ৰু-১০ মহাকাশযান আহি পোৱাৰ পিছত তেওঁ দায়িত্ব অৰ্পণ কৰিব। এই প্ৰক্ৰিয়া সাতদিন ধৰি চলিব। ১২ মাৰ্চত ক্ৰু-১০ মহাকাশযান মহাকাশ পোৱাৰ পিছত ১৯ মাৰ্চত সুনীতা আৰু বুচে পৃথিৱীলৈ ৰাওনা হ'ব। প্ৰথমে ক্ৰু-১০ উৎক্ষেপণৰ তাৰিখ মাৰ্চৰ শেষৰ ফালে নিৰ্ধাৰণ কৰা হৈছিল যদিও ইয়াক আগুৱাই অনা হৈছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে স্পেচএক্সৰ চিইঅ' ইলন মাস্কক মহাকাশচাৰীসকলক ঘূৰাই অনাৰ ক্ষেত্ৰত জৰুৰীভাৱে চকু ৰাখিবলৈ নিৰ্দেশ দিয়াৰ পিছতে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## ৰাজীৱ কুমাৰৰ স্থলাভিষিক্ত হ'ব জ্ঞানেশ

চৰ্চা। অহা ১৮ ফেব্ৰুৱাৰীত অৱসৰ গ্ৰহণ কৰিব বৰ্তমানৰ মুখ্য নিৰ্বাচনী বিষয়া ৰাজীৱ কুমাৰে। চৰ্চা অনুসৰি, তেওঁৰ স্থানত স্থলাভিষিক্ত হ'ব পাৰে আইএএছ বিষয়া জ্ঞানেশ কুমাৰ। ১৭ ফেব্ৰুৱাৰীত এই বিষয়ত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হ'ব, য'ত দেশৰ পৰৱৰ্তী মুখ্য নিৰ্বাচন আয়ুক্তৰ নাম ঘোষণা হোৱাৰ সম্ভাৱনা আছে। এই বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, আইন মন্ত্ৰী অৰ্জুন মেঘৱাল আৰু বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। এই চাৰ্চ পেনেলে ৪৮০ জন প্ৰাৰ্থীৰ পৰা পাঁচটা নাম চূড়ান্ত কৰিব, আৰু ইয়াৰ ভিতৰত জ্ঞানেশ কুমাৰৰ নাম শীৰ্ষত থকা জানিব পৰা গৈছে। উল্লেখ্য যে, জ্ঞানেশ কুমাৰ ১৯৮৮ চনৰ বেচৰ কেৰেলা কেডাৰৰ আই এ এছ বিষয়া। সমন্বয় মন্ত্ৰালয়ৰ প্ৰাক্তন সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰা তেখেতৰ গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰাৰ অভিজ্ঞতা আছে। ২০২৪ চনৰ ৩১ জানুৱাৰীত অৱসৰ লোৱাৰ পিছত তেওঁ সংসদীয় পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব আছিল। ২০১৯ চনত জন্মু-কাশ্মীৰৰ পৰা ৩৭০ অনুচ্ছেদ বাতিলৰ সময়ত কাশ্মীৰ সংমগুলৰ যুটীয়া সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ২০২০ চনত অতিৰিক্ত সচিব হিচাপে তেওঁ শ্ৰী ৰাম জন্মভূমি তীৰ্থক্ষেত্ৰ ট্ৰাষ্ট গঠনকে ধৰি অযোধ্যা গোচৰৰ ৰায়দানৰ সৈতে জড়িত সকলো বিষয়ৰ তদাৰক কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## ব্যৱসায়ীক ছুৰীৰে আক্ৰমণ

মাথোঁ ১০০ মিটাৰ নিলগত গণেশগুৰিত আজি পুৱাই এক ভয়ংকৰ ঘটনা সংঘটিত হয়। এজন দোকানীক ছুৰিকাঘাত কৰাৰ দৰে ঘটনা সংঘটিত হয়। ফুল বিক্ৰেতাক ছুৰীৰে আক্ৰমণ কৰাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। ইতিমধ্যে আক্ৰমণকাৰীক দিছপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। জানিব পৰা মতে, গণেশগুৰিৰ লক্ষ্মী মন্দিৰৰ সমীপৰ ফুল বিক্ৰেতা ভূপেন বৰ্মনৰ সৈতে এজন ব্যৱসায়ী শংকৰ বৰুৱাৰ ব্যৱসায়ীক কাৰণত সংঘাত লাগে। প্ৰথমে তৰ্কা-তৰ্কি লাগে তাৰ পিছতে ভূপেন বৰ্মনক ছুৰিকাঘাত কৰে শংকৰ বৰুৱাই। ভূপেন বৰ্মনে চিঞৰ-বাখৰ কৰাত একাংশ লোক সমৱেত হোৱাৰ লগতে দিছপুৰ আৰক্ষীৰ দল উপস্থিত হৈ শংকৰ বৰুৱাক গ্ৰেপ্তাৰ কৰে। ছুৰিকাঘাতত আহত ভূপেন বৰ্মনক হাস্পতালত ভৰ্তি কৰা হয়। আৰক্ষীয়ে ঘটনাক লৈ তদন্ত অব্যাহত ৰাখিছে। বৰ্তমান ভূপেন বৰ্মন সংকটমুক্ত।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ ৯০০ কোটিৰ ঋণ ল'ব ৰাজ্য

বিশ্ব শৰ্মাৰ চৰকাৰ। ৰাজ্যৰ উদ্যোগ, বাণিজ্য বন্ধ হৈ পৰাত চৰকাৰখনে চাকৰিয়ালৰ দৰমহা, ঠিকাদাৰৰ বিল আদায় দিবলৈ মাহে প্ৰতি ঋণ লৈ থাকিবলগীয়া হৈছে। চৰকাৰৰ ৰাজকোষ উদং হৈ থকাৰ ফলতে বাৰে বাৰে ঋণ লৈ জোৰা-টাপলি মাৰিবলগীয়া হৈছে। মাহেকত ঋণ লৈ চৰকাৰ চলাই থকা বুলি বিৰোধী তথা অৰ্থনীতিবিদসকলে অভিযোগ উত্থাপন কৰি আহিছে। বিৰোধী তথা অৰ্থনীতিবিদসকলৰ অভিযোগৰ মাজতে আকৌ ৯০০ কোটি টকাৰ ঋণ ল'বলৈ সাজু হৈছে চৰকাৰ। ১৮ ফেব্ৰুৱাৰীত ৯০০ কোটি টকা ঋণ ল'বলৈ সাজু হৈছে চৰকাৰখন। অসম চৰকাৰে আজি ১০ বছৰীয়া ৰাজ্যিক চৰকাৰী প্ৰতিভূতি (চিকিউৰিটিজ) বিক্ৰীৰ বাবে নিলামৰ ঘোষণা কৰি বিবৃতি দিছে। ইয়াৰ জৰিয়তে ৰাজ্যই ঋণ সংগ্ৰহ কৰিব বিচাৰিছে। আজি অসম চৰকাৰৰ বিত্ত বিভাগৰ সচিব দিলীপ কুমাৰ বৰাৰ দ্বাৰা প্ৰকাশিত চৰকাৰী বিজ্ঞপ্তি নং বিডব্লিউ ০৩/২০২৫/১১ যোগে ৯০০ কোটি টকা ঋণ লোৱাৰ কথা প্ৰকাশ পাইছে। ১৩ ফেব্ৰুৱাৰীত নিলামৰ দিনা ৰিজাৰ্ভ বেংক অফ ইণ্ডিয়াৰ চবিবেচ এ-কুবাৰ প্ৰণালীৰ জৰিয়তে ডিজিটেল পদ্ধতিত বিড গ্ৰহণ কৰিব। চৰকাৰী সূত্ৰমূহে সদ্য ঘোষিত ১৩ ফেব্ৰুৱাৰীৰ নিলামৰ লগতে আগতীয়াকৈ ১৮ ফেব্ৰুৱাৰীত ৯০০ কোটি টকাৰ ঋণৰ পৰিকল্পনা কৰা হৈছে বুলি জনাইছে। নিলামত নিৰ্ধাৰিত কাট-অফ য়িল্ড অনুসৰি কুপনৰ হাৰ স্থিৰ কৰা হ'ব। ইয়াৰ আগতে হিমন্ত বিশ্ব শৰ্মা চৰকাৰে ২০২৫ চনৰ ৭ জানুৱাৰীত ৫০০ কোটি, ২৮ জানুৱাৰীত ৫০০ কোটি, আৰু ৪ ফেব্ৰুৱাৰীত ৯০০ কোটি টকাৰ ঋণ লৈছে চৰকাৰে। বিৰোধী দলসমূহ আৰু অৰ্থনীতিবিদসকলে ৰাজ্য চৰকাৰৰ বাৰে বাৰে ঋণ গ্ৰহণৰ নীতিৰ ওপৰত উদ্বেগ প্ৰকাশ কৰি আহিছে। ঋণৰ সুদৰ বোজাই ৰাজ্যিক অৰ্থনীতিত দীৰ্ঘম্যাদী প্ৰভাৱ পেলাব পাৰে। ৭ জানুৱাৰীত ৫০০ কোটি টকা, ২৮ জানুৱাৰীত ৫০০ কোটি টকা, ৪ ফেব্ৰুৱাৰীত ৯০০ কোটি টকা ঋণ লোৱা চৰকাৰখনে নতুন বছৰটোত পঞ্চমবাৰৰ বাবে ঋণ লোৱা এইখন চৰকাৰৰ বিত্ত ব্যৱস্থা থৰক-বৰক বুলি অভিযোগ উঠি আহিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মহানগৰীত স্কুল বাছে পুনৰ কাঢ়িলে

ঘাইপথত ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হৈ এজন লোকৰ মৃত্যু হয়। আনহাতে দুই স্কুলীয়া ছাত্ৰী সংকটজনক অৱস্থা আকাংক্ষা হাস্পতালত ভৰ্তি হৈ আছে। প্ৰফুল্ল দাস নামৰ লোকজন নিহত হোৱাৰ লগতে ৰিমি আৰু ছিমি নামৰ দুই কণমানি ছাত্ৰীক সংকটজনক অৱস্থাত হাস্পতালত ভৰ্তি কৰা হৈছে। ছাত্ৰী ৰিমি আৰু ছিমিৰ খুৰাক আছিল প্ৰফুল্ল দাস। জানিব পৰা মতে, বৰগাঁৱৰ স্থানীয় প্ৰফুল্ল দাসে আজি পুৱাই স্কুটীত তুলি দুই ভতিজাকক স্কুললৈ নি আছিল। সেই সময়তে পঞ্চতাৰকা হোটেল ৰেডিচন ব্লুৰ সন্মুখত এখন স্কুল বাছে খুন্দা মৰাৰ ফলত স্কুটী চালক প্ৰফুল্ল দাস আৰু দুই কণমানি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। খুৰাকক এক্সেল কেয়াৰ আৰু ভতিজাকক আকাংক্ষা হাস্পতালত ভৰ্তি কৰা হয়। কিন্তু চিকিৎসকে প্ৰফুল্ল দাসক মৃত ঘোষণা কৰে। ৰাইজে সন্দেহ কৰা মতে, থিতাতে নিহত হৈছিল প্ৰফুল্ল দাস। ৰিমি আৰু ছিমি নামৰ দুই ভতিজাকক স্কুটীত তুলি স্কুললৈ নি থকাৰ সময়তে স্কুটীখন দুৰ্ঘটনাত পতিত হোৱাত স্থানীয় ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে। কিয়নো ৰেডিচন ব্লুত যেতিয়া ভিআইপি আহে তেতিয়া আৰক্ষীয়ে যান-জঁট নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰে। কিন্তু অন্য দিনা পথটোত আৰক্ষী নাথাকে। যাৰ বাবে প্ৰায়ে উক্ত স্থানত পথ দুৰ্ঘটনা সংঘটিত হৈ ইজনৰ পিছত সিজন লোকে প্ৰাণ হেৰুৱাইছে বুলি অভিযোগ আনে ৰাইজে। স্কুল বাছ চালকৰ দৌৰাত্মাৰ ফলত বাৰে বাৰে এনে ঘটনা প্ৰায়ে সংঘটিত হৈ আহিছে গুৱাহাটীত। কিন্তু প্ৰশাসন-আৰক্ষীয়ে ব্যৱস্থা গ্ৰহণ কাৰ দেখা নাযায়। আজি স্কুললৈ গৈ থকা দুই শিশুসহ অভিভাৱকক মহতিয়াই নিয়াত স্কুটী চালকজনৰ মৃত্যুৰ পিছতে প্ৰশাসন তথা আৰক্ষীয়ে ৰাজপথত সন্ত্ৰাস চলোৱা চালকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব নে নাই? সেয়া লক্ষ্যণীয় হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দেশৰ নিৰাপত্তা ব্যৱস্থা দক্ষ লোকৰ

শৰ্মাৰ ইটোৰ পিছতে সিটো ছ'চিয়েল মিডিয়াৰ আক্ৰমণ আকৰ্ষণীয় হৈছে। সামাজিক মাধ্যমত গৌৰৱ গগৈ আৰু হিমন্ত বিশ্ব শৰ্মাৰ দুটা ফৈদে বিষয়টোক লৈ আক্ৰমণ-প্ৰত্যাক্ৰমণ আৰম্ভ কৰি ৰণত নামি পৰা দেখা গৈছে। গৌৰৱ গগৈৰ বিৰুদ্ধে উত্থাপিত বিষয়টোক গুৰুত্বসহকাৰে নলৈ গৌৰৱ গগৈ আৰু হিমন্ত বিশ্ব শৰ্মাৰ পক্ষৰ লোকসকলে শক্তি কাৰ বেছি সেয়া প্ৰতিপন্ন কৰিবলৈ উঠি-পৰি লাগিছে। মুঠৰ ওপৰত কমেণ্ট, ৰিয়েক্ট, শ্বেয়াৰৰহে যুদ্ধ চলিছে। তাৰ মাজতে হিমন্ত বিশ্ব শৰ্মা আৰু গৌৰৱ গগৈৰ যুদ্ধ এণ্ট্ৰি মাৰিছে সদৌ অসম ছাত্ৰ সন্থাই। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই আজি এই অভিযোগক স্পৰ্শকাতৰ বুলি কৈ গৌৰৱ গগৈক ৰাইজ পতিয়ন যাব পৰাকৈ স্থিতি স্পষ্ট কৰিবলৈ আহ্বান জনাইছে। উৎপল শৰ্মাই কয় যে যেতিয়া ৰাজহুৱা জীৱনত থকা লোকৰ বিৰুদ্ধে এনে অভিযোগ উত্থাপন হয় তেতিয়া ৰাইজ পতিয়ন যাব পৰাকৈ স্থিতি স্পষ্ট কৰিব লাগে। সাংসদ গৌৰৱ গগৈয়ে আৰু পৰিবাৰৰ বিৰুদ্ধে যিহেতু দেশৰ নিৰাপত্তাক লৈ অভিযোগ উত্থাপন হৈছে সেয়েহে ৰাইজ পতিয়ন যাব পৰাকৈ গৌৰৱ গগৈয়ে গোটেই বিষয়টোৰ ব্যাখ্যা আগবঢ়াব লাগে। তাৰ বিকল্প নাই। গৃহ বিভাগৰ ইয়াতকৈ বেছি ব্যৰ্থতা আৰু একো থাকিব নোৱাৰে বুলি চৰকাৰৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰি সভাপতি শৰ্মাই আৰু কয় যে ভাৰতবৰ্ষৰ দৰে এখন দেশত এটা বৃহৎ গৃহ বিভাগ আছে, গৃহ বিভাগৰ অধীনত চোৰাংচোৱা সংস্থা আছে, আৰক্ষী আছে, আন আন তেনেকুৱা বিভাগ আছে। তাৰ পিছত দেশৰ এগৰাকী সাংসদৰ বিৰুদ্ধে তেওঁৰ পত্নীৰ বিৰুদ্ধে স্পৰ্শকাতৰ অভিযোগ যদি উত্থাপন হৈছে আৰু যদি সেই স্পৰ্শকাতৰ অভিযোগ সঁচা হয় তেন্তে গৃহ বিভাগৰ ইয়াতকৈ বেছি ব্যৰ্থতা আৰু একো থাকিব নোৱাৰে। ২০১৫ চন, ২০১৭ চনৰ কথা ২০২৫ চনত শাসকীয় দলৰ কিয় মনত পৰিছে। ইমান দিনে যদি গৃহ বিভাগ চলি আছে তেন্তে দেশৰ নিৰাপত্তা বিশ্বাস যোগ্য হাতত নাই সেই কথা প্ৰমাণ হৈছে। গৃহ বিভাগ যে অপদাৰ্থ সেই কথা প্ৰমাণ হৈছে। গৌৰৱ গগৈ বা পৰিবাৰৰ বিৰুদ্ধে অহা অভিযোগ যদি সঁচা হয় তেন্তে দেশৰ গৃহমন্ত্ৰী আৰু ৰাজ্যৰ গৃহমন্ত্ৰীৰ গাদীত বহি থকাৰ নৈতিক অধিকাৰ নাই সেই কথা স্পষ্ট। আছুৰ সভাপতি উৎপল শৰ্মাই দেশত ১০ বছৰে কাৰ শাসন চলি আছে বুলি প্ৰশ্ন কৰি কয় যে চৰকাৰৰ ইমান ডাঙৰ প্ৰশাসন, চোৰাংচোৱা বিভাগ থাকোতে দেশত ২০১৫ চনৰ বিষয় ২০২৫ চনত আলোচনা কৰিবলগীয়া হোৱাটোৱে প্ৰমাণ কৰে যে দেশৰ নিৰাপত্তা দক্ষ লোকৰ হাতত নাই।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# তিনিচুকীয়াত ৩ মাৰ্চত অনুষ্ঠিত হ'ব লোক আদালত

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৪ ফেব্ৰুৱাৰীঃ** অহা ৩ মাৰ্চত ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত সমগ্ৰ দেশতে অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় লোক আদালতৰ অংশস্বৰূপে তিনিচুকীয়া জিলাতো ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। তিনিচুকীয়া চহৰৰ বৰগুৰিস্থ তিনিচুকীয়া জিলা ন্যায়িক আদালত প্ৰাংগণৰ লগতে শদিয়া আৰু মাৰ্ঘেৰিটা মহকুমাৰ ন্যায়িক দণ্ডাধীশৰ আদালত প্ৰাংগণতো পুৱা ১০ বজাৰ পৰা তিনিচুকীয়া জিলা আইন সেৱা প্ৰাধিকৰণে লোক আদালত অনুষ্ঠিত কৰিব, য'ত দেৱানী, আপোচযোগ্য ফৌজদাৰী, মটৰ দুৰ্ঘটনা, ৰাজহ, বৈৱাহিক সম্বন্ধীয় গোচৰ, এন.আই. এক্টৰ অধীনৰ গোচৰ, বিদ্যুৎ বিভাগৰ বিল সম্পৰ্কীয় আপত্তি, বিএছএনএল ৰ বিল সম্পৰ্কীয় আপত্তি আৰু বেংকৰ ঋণ সম্পৰ্কীয় গোচৰ নিষ্পত্তি কৰা হ'ব।

# এডমিট কাৰ্ড নাহিল! মেট্ৰিক দিয়াৰ পৰা বঞ্চিত হ'ল মাজুলীৰ দুই পৰীক্ষাৰ্থী

## ভকতচাপৰি হাইস্কুলৰ প্ৰধান শিক্ষকৰ দায়িত্বহীনতা!

**ই-সংবাদ, মাজুলী, ১৪ ফেব্ৰুৱাৰীঃ** কাইলৈৰ পৰা ৰাজ্যত আৰম্ভ হ'ব হাইস্কুল শিক্ষান্ত পৰীক্ষা। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰাক্কক্ষণত মাজুলীৰ দুগৰাকী ছাত্ৰীয়ে এতিয়া জীৱনৰ প্ৰথমটো গুৰুত্বপূৰ্ণ পৰীক্ষা দিয়াৰ পৰা বঞ্চিত হবলগীয়া হোৱাৰ ঘটনা সংঘটিত হৈছে। জানিব পৰা মতে মাজুলীৰ ভকত চাপৰি হাইস্কুলৰ ছাত্ৰী কুঁৱৰী শইকীয়া আৰু অঞ্জনা দাসৰ পৰীক্ষাৰ এডমিট কাৰ্ড নহাৰ পৰিপ্ৰেক্ষিতত এতিয়া পৰীক্ষাৰ পৰা বঞ্চিত হবলগীয়া হ'ব। ভকতচাপৰি অপ্ৰাদেশিকৃত হাইস্কুল খনৰ ভুক্তভোগী ছাত্ৰী কেইগৰাকীয়ে জনোৱা অনুসৰি বিদ্যালয় খনৰ প্ৰধান শিক্ষকে এডমিট কাৰ্ড নিবলৈ মাতি বেলেগৰ নামত পৰীক্ষা দিয়া কথা কোৱাৰ পাছতেই বিষয়টো পোহৰলৈ আহে। ঘৰত গৈয়ো প্ৰধান শিক্ষক গৰাকীয়ে এডমিট কাৰ্ড হ'ব, পৰীক্ষা দিব পাৰিব, ব্যৱস্থা কৰিছো বুলি কৈ থকাৰ পাছত কাইলৈৰ পৰা আৰম্ভ হ'বলগীয়া পৰীক্ষাৰ এডমিট কাৰ্ড নিবলৈ আহি এনেকুৱা পৰিস্থিতিৰ সন্মুখীন হোৱাত এতিয়া ছাত্ৰীকেইগৰাকীৰ মূৰত সৰগ ভাগি পৰিছে। ইফালে উক্ত বিষয়টো মাজুলী জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকে অৱগত হৈ প্ৰধান শিক্ষক, সহঃশিক্ষকক কাৰ্যালয়লৈ তলব কৰে। ইফালে বিদ্যালয়সমূহৰ পৰিদৰ্শকে এই সন্দৰ্ভত জিলা আয়ুক্তক প্ৰতিবেদন দাখিল কৰিব বুলি জানিব পৰা গৈছে। ইফালে প্ৰকৃততে কাৰ ভুলৰ বাবে ছাত্ৰী দুগৰাকীৰ এই দশা হ'বলৈ পালে সেয়া প্ৰকৃত তদন্ততৰ অন্ততহে পোহৰলৈ আহিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কুম্ভমেলালৈ গৈ গয়াত পথ দুৰ্ঘটনাত

আকোৱালি লৈছে। গুৱাহাটীৰ পৰা ব্যক্তিগত বাহন লৈ প্ৰয়াগৰাজলৈ গৈ মহাকুম্ভত স্নান কৰি উভতি আহি থকাৰ সময়তে গুৱাহাটীৰ এটা পৰিয়াল বিহাৰত পথ দুৰ্ঘটনাত পতিত হৈ পৰিয়ালটোৰ এজন সদস্যই মৃত্যুক আকোৱালি লৈছে। কুম্ভমেলাত অংশ লৈ উভতি আহি থকাৰ সময়তে পথ দুৰ্ঘটনাত পতিত হৈ প্ৰাণ গৈছে গুৱাহাটীৰ আনন্দজ্যোতি মোহন নামৰ লোকজনৰ। এখন ইন'ভা বাহনত গুৱাহাটী অভিমুখে আহি থকাৰ সময়তে বিহাৰৰ গয়াত পথ দুৰ্ঘটনাত পতিত হৈছিল গুৱাহাটীৰ পৰিয়ালটো। গয়াত পৰিয়ালটো ভয়ংকৰ দুৰ্ঘটনাত পতিত হোৱাত আৰক্ষী আৰু স্থানীয় লোকৰ সহযোগত আহতসকলক স্থানীয় নাৰায়ণ মগধ চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰা হৈছিল ইয়াৰে আনন্দজ্যোতি মোহনে মৃত্যুক আকোৱালি লয়। পৰিয়ালটোৰ ৭ সদস্য বৰ্তমানেও হাস্পতালত ভৰ্তি হৈ আছে। জানিব পৰা মতে, ৪ দিন পূৰ্বে এখন ইনভাত গুৱাহাটীৰ একেটা পৰিয়ালৰ কিশোৰ-কিশোৰীসহ ৮গৰাকী লোক প্ৰয়াগৰাজত উপস্থিত হৈছিল। পৰিয়ালটোৱে কুম্ভমেলাত স্নান কৰি কালি সন্ধিয়া প্ৰয়াগৰাজৰ পৰা উভতি আহি আছিল। কেইঘণ্টামান পিছতে বিহাৰত উপস্থিত হৈছিল। সেই সময়তে বিহাৰৰ গয়াত বাৰাচট্টি আৰক্ষী থানাৰ অন্তৰ্গত চৌপ ভাদিয়াৰ কাঞ্চন বিঘা গাঁৱত এখন ৰৈ থকা ট্ৰাকত তীব্ৰ গতিত আহি খুন্দা মাৰে। ট্ৰাকত খুন্দা মৰাৰ ফলত ইনভাৰ সন্মুখ ভাগ চুৰ্মাৰ হয় আৰু ভিতৰত থকা আনন্দজ্যোতি মোহন (৩৫), ৰাজেশ দাস (৪০), অমৰজিৎ দাস (৩০), ৰূপা দাস (২৫), বিভূতি দাস (৪৫), নবীতা দাস (১০) আৰু নিয়ন দাস (৮) আঘাতপ্ৰাপ্ত হয়। দুৰ্ঘটনাত পতিত হৈ আঘাতপ্ৰাপ্ত লোকসকলক স্থানীয় নাৰায়ণ মগধ চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও ৩৫ বছৰীয়া আনন্দজ্যোতি মোহনক মৃত ঘোষণা কৰা হয়। পবিত্ৰ স্নান কৰি ঘৰলৈ উভতি আহি থকাৰ সময়তে দুৰ্ঘটনাৰ পতিত হোৱাত পৰিয়ালটোত হাহাকাৰ লাগিছে।

# ট্ৰাম্প-মোদীৰ যৌথ বিবৃতিত শংকিত পাকিস্তান, তাহাউৰ ৰানাক ভাৰতলৈ প্ৰত্যাৰ্পণৰ অনুমতি মাৰ্কিন আদালতৰ

**ৱাশ্বিংটন, ১৪ ফেব্ৰুৱাৰীঃ** আমেৰিকা ভ্ৰমণৰ সময়তে মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে বৈঠকত মিলিত হ'ল ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। সেই বৈঠকৰ পিছতে দুয়োখন দেশে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত এক যৌথ বিবৃতি প্ৰকাশ কৰে। মোদী আৰু ট্ৰাম্পৰ এই যৌথ বিবৃতিয়ে স্পষ্ট বাৰ্তা প্ৰদান কৰিছে পাকিস্তানক। যাৰ বাবে এই বিবৃতিক "একপক্ষীয়" আৰু "বিভ্ৰান্তিকৰ" বুলি অভিহিত কৰে ইছলামাবাদে। বৈঠকত উল্লেখ কৰা হৈছে যে পাকিস্তানে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজিবলৈ দৃঢ় পদক্ষেপ ল'ব লাগিব যাতে সীমান্তত সন্ত্ৰাসবাদী আক্ৰমণ নিজৰ মাটি ব্যৱহাৰ কৰি সংঘটিত নহয়। শুকুৰবাৰে পাকিস্তানৰ বৈদেশিক পৰিক্ৰমা বিভাগৰ মুখপাত্ৰ ছফাকত আলী খানে এই বক্তব্যক লৈ অসন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয় যে পাকিস্তানে দিয়া ত্যাগক আওকাণ কৰা হৈছে আৰু দাবী কৰে যে এনে মন্তব্য কূটনৈতিক নীতিৰ বিৰুদ্ধে। ইফালে ভাৰতে পূৰ্বেও সন্ত্ৰাসবাদৰ সৈতে পাকিস্তানৰ জড়িততা সন্দৰ্ভত সৰব হৈ পৰিছিল। মোদী-ট্ৰাম্পৰ বৈঠকৰ পিছতে পাকিস্তানক সন্ত্ৰাসবাদী কাৰ্যকলাপ বন্ধ কৰিবলৈ হেঁচা প্ৰয়োগ কৰা হৈছে। ইয়াৰ উপৰিও ট্ৰাম্পে ২৬/১১ মুম্বাই আক্ৰমণৰ অন্যতম মাষ্টাৰমাইণ্ড তাহাউৰ ৰানাক ভাৰতক প্ৰত্যাৰ্পণ কৰাৰ সিদ্ধান্তও ঘোষণা কৰে। উল্লেখ্য যে, পাকিস্তানী মূলৰ কানাডিয়ান নাগৰিক তাহাউৰ বৰ্তমান কেলিফৰ্ণিয়াৰ কাৰাগাৰত বন্দী হৈ আছে। শেহতীয়াকৈ আমেৰিকাৰ আদালতে ভাৰতলৈ প্ৰত্যাৰ্পণত সন্মতি প্ৰকাশ কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছয় নং দফা, মুখ্যমন্ত্ৰীৰে হ'ব আছুৰ

অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ নেতৃত্বত গঠিত উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদনৰ পৰামৰ্শ সন্দৰ্ভত আলোচনা কৰিবলৈ পুনৰবাৰ সদৌ অসম ছাত্ৰ সন্থাক আমন্ত্ৰণ জনাইছে ৰাজ্য চৰকাৰে। ১৬ ফেব্ৰুৱাৰীৰ দিনৰ ১ বজাত আছুক আলোচনা কৰিবলৈ আমন্ত্ৰণ জনাইছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যালয়ে। অসম চুক্তিৰ ছয় নং দফা অনুসৰি সাংবিধানিক ৰক্ষাকৱচ সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ নেতৃত্বত গঠিত উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদন কাৰ্যকৰীকৰণৰ বিষয়ে আলোচনা কৰিবলৈ সদৌ অসম ছাত্ৰ সন্থাক আমন্ত্ৰণ জনোৱাৰ কথা আজি এক প্ৰেছ বিজ্ঞপ্তি যোগে প্ৰকাশ কৰিছে সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিয়ে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত এই বৈঠত অনুষ্ঠিত হ'ব দিছপুৰ লোকসেৱা ভৱনত। ইতিমধ্য মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ পত্ৰ লাভ কৰিছে আছুৰ সভাপতি উৎপল শৰ্মা, মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে। আছুৱে আজি এক বিবৃতি যোগে এই কথা উল্লেখ কৰিছে। আছুৱে বিবৃতিত কয় যে ইয়াৰ পূৰ্বে হোৱা আলোচনাত মুখ্যমন্ত্ৰীয়ে কৈছিল যে বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ প্ৰতিবেদনত অসম চৰকাৰৰ আওতাৰ ৪০টা বিষয় অসম চৰকাৰে ২০২৫ চনৰ এপ্ৰিল মাহৰ ভিতৰত কাৰ্যকৰী কৰিব। উভয় চৰকাৰৰ আধীনত থকা ১২টা বিষয়ৰ অসম চৰকাৰৰ আওতাৰ বিষয়সমূহ একে সময়তে কাৰ্যকৰী কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰৰ আওতাৰ ১৫টা বিষয় কাৰ্যকৰীকৰণৰ বাবে অসম চৰকাৰে পদক্ষেপ ল'ব। লগতে অসম চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত ত্ৰিপাক্ষিত আলোচনা হ'ব। আগৰবাৰৰ আলোচনাত কোৱা হৈছিল যে অসম চৰকাৰৰ আওতাৰ বিষয়সমূহ কাৰ্যকৰী কৰিবলৈ আছুৰ মতামত লৈ এখন কৰ্মসূচী অসম চৰকাৰে প্ৰস্তুত কৰিব। সেই আলোচনাৰ আধাৰত ১৬ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত সদৌ অসম ছাত্ৰ সন্থাৰ আলোচনা অনুষ্ঠিত হ'ব। লগতে একেটা বিবৃতিত আছুৰ সভাপতি উৎপল শৰ্মা, মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে কয় যে অসম চুক্তিৰ ছয় নং দফা অনুসৰি সাংবিধানিক ৰক্ষাকৱচ সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ নেতৃত্বত গঠিত উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদনৰ সকলো পৰামৰ্শ কাৰ্যকৰী হ'ব লাগিব। দুয়োখন চৰকাৰ কাৰ্যকৰী কৰিব লাগিব। সাংবিধানিক ৰক্ষা কৱচ অসমৰ খিলঞ্জীয়া জনসাধাৰণৰ প্ৰাপ্য। অসমৰ জনসাধাৰণ আৰু ছাত্ৰ সন্থাই ফলাফল বিচাৰিছে। ফলাফল নোপোৱাকৈ ছাত্ৰ সন্থা ক্ষান্ত নহয় বুলিও বিবৃতিত উল্লেখ কৰিছে জাতীয় সংগঠনটোৱে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উত্তৰত সন্তুষ্ট নহ'ল হিমন্ত! আইনৰ

এই দুই প্ৰতিদ্বন্দ্বী নেতাৰ আক্ৰমণ-প্ৰত্যাক্ৰমণে গৰম কৰি ৰাখিছে ৰাজ্য তথা দেশৰ ৰাজনীতি। সাংসদ গৌৰৱ গগৈৰ বিদেশী পত্নীৰ ভাৰতীয় নাগৰিকত্বক লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰশ্ন আৰু পাকিস্তানী চোৰাংচোৱা সংস্থাৰ সৈতে সম্পৰ্ক থকা বুলি উত্থাপন কৰা গুৰুতৰ অভিযোগে ইতিমধ্যে ছ'চিয়েল মিডিয়াতো তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰী বিগত দুদিন ধৰি উত্থাপন কৰি অহা অভিযোগৰ আজি প্ৰত্যুত্তৰ দিয়ে সাংসদ গৌৰৱ গগৈয়ে। ফেচবুকযোগে সাংসদ গগৈয়ে সামাজিক মাধ্যমত 'ইউথ ফৰাম অন ফৰেইন পলিচী'ৰ কেইখনমান ফটো আৰু লিংক শ্বেয়াৰ কৰি লিখে, "পাকিস্তানৰ প্ৰাক্তন উচ্চায়ুক্ত আব্দুল বাছিতৰ সৈতে হোৱা এক পেনেল আলোচনাৰ এখন ফটো প্ৰচাৰ কৰি থকা দেখি ২০১১ চনত কেইজনমান বন্ধুৰ সৈতে লগ লাগি মই প্ৰতিষ্ঠা কৰা "Youth Forum on Foreign Policy" নামৰ সংগঠনটোৰ দিনৰ কথাবোৰ মনত পেলাই দিলে। এনেধৰণৰ এটা ফৰাম গঠন কৰিবলৈ মোৰ মনলৈ প্ৰথম ধাৰণাটো আহিছিল যেতিয়া মই ৰাষ্ট্ৰসংঘৰ নিউয়ৰ্কস্থিত ভাৰতৰ স্থায়ী মিছনত ২০১০ চনত ইন্টাৰ্নশ্বিপ কৰি আছিলো। সেয়েহে ২০১১ চনত মই এনে এটা ফ'ৰাম গঠন কৰিব বিচাৰিছিলো, য'ত ভাৰতীয় শিক্ষাৰ্থী আৰু যুৱ পেছাদাৰীসকলে বৈদেশিক নীতি আৰু আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ বিষয়ে আলোচনা কৰিবলৈ সুবিধা লাভ কৰিব পাৰে। বিশেষকৈ ৰাজনীতি বিজ্ঞান অধ্যয়ন কৰা আৰু UPSC পৰীক্ষাৰ প্ৰাৰ্থীসকলৰ বাবে ই অত্যন্ত উপযোগী হিচাপে পৰিগণিত হৈছিল। Youth Forum on Foreign Policy য়ে ভাৰতীয় কূটনীতিবিদ আৰু বিদেশী ৰাষ্ট্ৰদূতসকলৰ সৈতে আলোচনাৰ আয়োজন কৰিছিল। এনে আলোচনা আৰু মত-বিনিময় অনুষ্ঠানে শিক্ষাৰ্থীসকলক জ্ঞানৰ বিকাশত যথেষ্ট অৰিহণা যোগাইছিল। আমি ভাৰতৰ প্ৰাক্তন বৈদেশিক সচিব শ্যাম চৰণ, প্ৰাক্তন আমেৰিকান ৰাষ্ট্ৰদূত ৰিচ ভাৰ্মা, ইউনাইটেড কিংডমৰ প্ৰাক্তন হাই কমিচনাৰ জেমছ বেভান, প্ৰফেছাৰ চি. ৰাজা মোহন, নন্দন নীলকাৰ্ণী, অৱসৰপ্ৰাপ্ত কূটনীতিবিদ, সংসদ সদস্য, আৰু নেদাৰলেণ্ড, চিংগাপুৰ, ইজৰাইল, অষ্ট্ৰেলিয়া, থাইলেণ্ড,পাকিস্তান আদি দেশৰ ৰাষ্ট্ৰদূতসকলৰ দৰে বিশেষজ্ঞসকলৰ সৈতে সাক্ষাৎ কৰিছিলো। মোৰ মনত পৰে যে সেই সময়ত আমি আমাৰ দেশৰ বৈদেশিক মন্ত্ৰণালয়ৰ "পাব্লিক ডিপ্ল'মেচি" শাখাৰ সৈতেও সহযোগিতা কৰিছিলো। ২০১১ চনটো আমাৰ বাবে উৎসাহ ভৰা আছিল । কাৰণ আমি সেই সময়চোৱাত দিল্লী, গুৱাহাটী, বাংগালুৰু, মুম্বাই, কলকাতা আৰু চণ্ডীগড়ত কলেজৰ শিক্ষাৰ্থী আৰু যুৱ পেছাদাৰীসকলৰ সহায়ত ফ'ৰামৰ শাখা স্থাপন কৰিবলৈ সক্ষম হৈছিলো। ২০১২ চনত গুৱাহাটীত অনুষ্ঠিত আলোচনা চক্ৰলৈ অৰ্থনীতিৰ নোবেল বঁটা বিজয়ী জোচেফ ষ্টিগলিজক মুখ্য অতিথি হিচাপে নিমন্ত্ৰণ কৰি আনিবলৈ সক্ষম হোৱাতো মোৰ বাবে এক ব্যক্তিগত স্মৰণীয় ঘটনা আছিল। কিন্তু ২০১৪ চনত মই সংসদ সদস্য হিচাপে নিৰ্বাচিত হোৱাৰ বাবে এই ফ'ৰামৰ সৈতে জড়িত মোৰ কাম-কাজ হ্ৰাস কৰিবলগীয়া হ'ল। সৌভাগ্যক্ৰমে, এদল মেধাবী যুৱক-যুৱতীৰ দলে ফ'ৰামৰ দায়িত্ব লৈ গৱেষণা আৰু ফেল'শ্বিপ কাৰ্যসূচী অব্যাহত ৰাখিছিল। মোৰ ভূমিকা এতিয়া প্ৰায় তেওঁলোকৰ পৰামৰ্শদাতালৈ পৰিণত হৈ পৰিল। তেওঁলোকৰ বহুতে আজি সফল হৈ থকা দেখি মই সন্তুষ্টি লাভ কৰো। স্বাভাৱিকতে, মই বৈদেশিক নীতিৰ প্ৰতি সদায়েই আগ্ৰহী হৈয়েই আছো। পাকিস্তানী ৰাষ্ট্ৰদূতৰ সৈতে হোৱা আমাৰ সাক্ষাৎকাৰত এটা হাস্যকৰ ঘটনা আছিল যে আমি কেৱল ক্ৰিকেটৰ বিষয়েই আলোচনা কৰা নাছিলো, বৰঞ্চ কোন দেশৰ কাবাব বেচি সুস্বাদু সেই বিষয়েও বাদ-বিবাদ কৰিছিলো!" ইফালে, গগৈৰ এই প্ৰত্যুত্তৰ সন্তোষজনক নহয় বুলি মন্তব্য কৰিছে মুখ্যমন্ত্ৰীয়ে। আজি গুৱাহাটীত উপস্থিত হৈয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকৰ মুখামুখি হৈ পুনৰ আক্ৰমণ কৰে গৌৰৱ গগৈক। মুখ্যমন্ত্ৰীয়ে কয় যে সাংসদগৰাকীৰ পত্নীয়ে পাকিস্তানত কাম কৰাটো সঁচা নে মিছা। তেখেতে ভাৰতীয় নাগৰিকত্ব লৈছে নে নাই। এই সময়ছোৱাত সংসদগৰাকীয়ে পাকিস্তান ভ্ৰমণ কৰিছিল নেকি? পাক ৰাষ্ট্ৰদূতক সাক্ষাৎ কৰাৰ সময়ত বৈদেশিক পৰিক্ৰমা বিভাগক সাক্ষাৎ কৰিছল নে নাই। কেনেকৈ কিয় লগ পালো সেই কথা ক'ব লাগিব সাংসদগৰাকীয়ে। উল্লেখ্য যে মুখ্যমন্ত্ৰীৰ ধাৰাবাহিক আক্ৰমণৰ পিছত আইনৰ দ্বাৰস্থ হ'বলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে গৌৰৱ গগৈয়ে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয় যে বিষয়বোৰৰ উত্তৰ নিদিয়াকৈ গোচৰৰ কথা কোৱা হৈছে। সাধাৰণতে পাকিস্তানৰ দূতাবাসত কিয় ল'ৰা-ছোৱালীক বিলাকক লৈ যোৱা হৈছিল? সাধাৰণতে পাকিস্তানৰ দূতাবাসত ব্ৰেইনৱাশ্ব হয়। পাকিস্তান আৰু ভাৰতে একেঘৰতে থাকিব নোৱাৰে বুলি উল্লেখ কৰি ড০ শৰ্মাই কয় যে তেখেতৰ আদৰ্শত পত্নী যদি আইএছ আই মই ৰ'। তাৰ মানে ভাৰত আৰু পাকিস্তান দুয়োখন বন্ধু ৰাষ্ট্ৰ। দুয়োটা একেখন ঘৰত থাকিব পাৰে। চিন্তা নকৰিব ভাৰতেই জয়ী হ'ব।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শিলচৰৰ পৰা উদ্ধাৰ ধেমাজিত নিৰুদিষ্ট

ছাত্ৰ। প্ৰকৃততে নিৰুদিষ্ট ছাত্ৰ কেইজনৰ আঁৰৰ কাহিনীটো কি? স্কুললৈ বুলি পুৰা ইউনিফৰ্ম পিন্ধি বেগত কিতাপ বহী ভৰাই ঘৰৰ পৰা আগৰ দৰে ওলাই গৈছিল ৪ ছাত্ৰ।এজনে কৌশলেৰে স্কুলৰ পৰা নিচেই সমীপত স্কুল গাড়ীৰ পৰা নামে। এজনে স্কুলৰ সন্মুখত নামে প্ৰাইভেট গাড়ীৰ পৰা। দুজনে স্কুললৈ বুলি আহি স্কুললৈ নাহিলেই। বেমাৰ হোৱা বুলি এজনে আছিল ঘৰত। পৰৱৰ্তী সময়ত লগৰ কেইজনে বেমাৰ হোৱা ছাত্ৰ জনকো লগত লৈ আহে। এয়া আছিল বৃহস্পতি বাৰৰ পুৱাৰ কাহিনী। এই কাহিনী হৈছে বৃহস্পতিবাৰে ৰাজ্য জোকাৰা খবৰ হিচাপে বিবেচিত ৫ ছাত্ৰ নিৰুদ্দেশৰ ঘটনা। এই যে স্কুললৈ আহিল চাৰিজন ছাত্ৰ লগত আৰু এজনক ঘৰৰ পৰা মাতি আনিছিল। তাৰ পিছতে একলগে গুচি গৈছিল অজ্ঞাতে ৫ ছাত্ৰয়ে নিৰ্দিষ্ট কৰা ঠাইলৈ। আৰু ঘূৰি নাহিল ঘৰলৈ আটায়ে। বৰদলনি লিটল গড মডেল স্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰ আছিল আটাইকেইজন। এজন এজনকৈ ঘৰত আগৰ দৰে নিৰ্দিষ্ট সময়ত ঘূৰি নহাত স্কুল কৰ্তৃপক্ষক অৱগত কৰে পৰিয়ালে। তাৰ পিছত ধৰা পৰিল স্কুলৰ বাউণ্ডাৰীত গছক নপৰা কথা। ইয়াৰ পিছতে হুৰাদুৰা লাগে আটাইকেইজন সন্ধানহীন ছাত্ৰৰ ঘৰত। নিশা হ'ল যদিও ঘৰৰ ল'ৰা ঘৰলৈ ঘূৰি নাহিল। লগে লগে আৰক্ষীক খবৰ দিয়ে। এতিয়া প্ৰশ্ন হয়- এজন নহয়, দুজন নহয় ৫ জন ছাত্ৰ একেলগে গ'ল ক'লৈ। ঘৰৰ পিতৃ-মাতৃক নোকোৱাকৈ প্ৰকৃততে যাব পাৰে ক'লৈ ৫ ছাত্ৰ? বিয়িপি পৰিল সামাজিক মাধ্যমত এই খবৰ। ২৪ ঘন্টা উকলি গ'ল, খবৰ খবৰ হৈয়ে ৰ'ল। ইয়াৰ পিছতে পুৰা সংবাদ মাধ্যমত চলিল যুদ্ধকালীন বাতৰিৰ শিৰোনাম, ক'লৈ গ'ল ঘৰ এৰি ৫ ছাত্ৰ। কিছুমানৰ সন্দেহ কিশোৰ কেইজনক অপহৰণ কৰা হৈছে নেকি ? কোনোবা দুস্কৃতিকাৰীৰ সংগত পৰি গৈছে নেকি অসৎ পথৰে? এশ এবুৰি চিন্তাৰ মাজত আৱদ্ধ অভিভাৱক আৰু স্কুল কৰ্তৃপক্ষ। আনহাতে আৰক্ষীয়েও উলিয়াব পৰা নাই সম্ভেদ। মন কৰিবৰগীয়া যে, এই সকলো সন্দেহ আৰু ৰহস্যৰ ওৰ পেলাই শিলচৰ ৰেল ষ্টেছনত কাছাৰ আৰক্ষীয়ে আজি পুৱা উদ্ধাৰ কৰে নিৰুদিষ্ট ৫ ছাত্ৰক। উদ্ধাৰৰ সময়ত হাতত আছিল দুই ছাত্ৰৰ হাতত গীতাৰ আৰু টেনিছ বেট-বল। ক্ৰমে ৰহস্যত সোমাই পৰে ছাত্ৰ নিৰুদিষ্ট কাহিনী। বাৰে বাৰে প্ৰশ্ন উত্থাপন হয় কিয় আৰু কেনেকৈ ধেমাজিৰ পৰা ২৪ ঘন্টা বাটেৰে আহিল শিলচৰলৈ ? প্ৰকৃততে ৫ ছাত্ৰৰ উদ্দেশ্য-লক্ষ্য আছিল কি? ঘৰত নোকোৱাকৈ শিলচৰলৈ গ'ল কিয় ইত্যাদি প্ৰশ্ন! এয়া প্ৰকৃততে পৰিকল্পিত কাণ্ড আছিল নেকি ছাত্ৰকেইজনৰ? ইফালে শিলচৰ আৰক্ষীক জনাইছে কোনোৱা মিউজিক ফেষ্টিভেললৈ আহিছে ছাত্ৰ কেইজনে। কিন্তু যদি মিউজিক ফেষ্টিভেললৈ ছাত্ৰ কেইজন যোৱাৰ কথা আছিল ঘৰত কোনোৰে অৱগত নকৰিলে কিয়? এই ৰহস্যৰ মাজতে উদঘাটন হৈছে প্ৰকৃততে ম'বাইল অনলাইন আসক্তত বুৰ গৈছিল ৫ ছাত্ৰ। অনলাইনৰ আসক্তিয়ে যে ধেমাজিৰ পৰা শিলচৰলৈ মাতি নিছিল তাক নুই কৰিব নোৱাৰি। যি সময়ত যুৱ প্ৰজন্মৰ মাজত মাদকদ্ৰব্য আৰু ম'বাইলৰ অপ্ৰয়োগে সমাজ উশৃংখলতাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে, সেই সময়ত অনলাইন আসক্ত হৈছে নেকি এই সকল ভুক্তভোগী ছাত্ৰই। তেতিয়াহ'লে কোন দিশে নৱপ্ৰজন্ম...? উল্লেখ্য, নিৰুদিষ্ট হোৱা ছাত্ৰ সকল হৈছে বৰদলনি লিটল গড মডেল স্কুলত নৱম শ্ৰেণীৰ অধ্যয়নৰত ছাত্ৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নকৈ সাজি-কাচি বাজেট অধিৱেশনলৈ

বিধানপৰিষদীয় ভৱনত অনুষ্ঠিত হ'ব। পোনপ্ৰথমবাৰৰ বাবে এইবেলি ৰাজধানীৰ পৰিবৰ্তে অসম বিধান সভাৰ বাজেট অধিবেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচী কোকৰাঝাৰৰ বিটিচি বিধান পৰিষদীয় ভৱনত অনুষ্ঠিত হ'ব আৰু ইয়াকে লৈ কোকৰাঝাৰত পূৰ্ণ গতিত অধিৱেশনৰ প্ৰস্তুতি চলিছে। বিটিচি বিধান পৰিষদীয় ভৱন আৰু বিটিচি সচিবালয়ৰ লগতে সমগ্ৰ কোকৰাঝাৰ চহৰ ন ৰূপত সজাই তোলা হৈছে । চহৰৰ বাট- পথৰ দুয়োকাষে ফটো সম্বলিত বেনাৰ লগোৱা হৈছে। ৰাস্তাৰ দুয়োকাষে থকা আৱৰ্জনা, বননি আঁতৰ কৰা হৈছে আৰু কোকৰাঝাৰ সুন্দৰ ৰূপত গঢ় দিবলৈ প্ৰচেষ্টা চলোৱা হৈছে। ইপিনে আজি বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে বিটিচি বিধান পৰিষদীয় ভৱন প্ৰাংগনত উপস্থিত হৈ অধিবেশনৰ প্ৰস্তুতি সম্পৰ্কে বুজ লয়। তেওঁ সাংবাদিকৰ আগত ১৭ ফেব্ৰুৱাৰীৰ দিনটো ঐতিহাসিক বুলি মন্তব্য কৰি উক্ত বাজেট অধিবেশনত ৰাজ্যৰ লগতে ষষ্ঠ অনুসূচী এলেকা আৰু কোকৰাঝাৰৰ কথা পাতিব বুলি আশা প্ৰকাশ কৰিছে। অসম বিধানসভাই সদায়ে ৰাজ্যৰ উন্নয়নৰ হকে সিদ্ধান্ত গ্ৰহণ কৰি আহিছে আৰু বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্থায়ী শান্তি-সমন্বয়ৰ লগতে ৰাজ্যৰ চুকে-কোণে উন্নয়নৰ বাবে কাম কৰিছে বুলি মন্তব্য কৰি প্ৰমোদ বড়োৱে বিকশিত ভাৰত নিৰ্মাণ প্ৰক্ৰিয়াত অসম ইতিমধ্যে চামিল হৈছে বুলি মত প্ৰকাশ কৰে। আনহাতে এডভাণ্টেজ অসমৰ যোগেদি দেশ -বিদেশৰ প্ৰতিনিধি অংশগ্ৰহণ কৰিব আৰু মুখ্যমন্ত্ৰীৰ উদ্দেশ্য সফল কৰি তুলিব বুলি আশা প্ৰকাশ কৰিছে প্ৰমোদ বড়োৱে। উল্লেখ্য যে ৰাজ্যপাল লক্ষণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে বাজেট অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যক্ৰমনিকা আৰম্ভ হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য কাইলৈ অৰ্থাৎ ১৫ ফেব্ৰুৱাৰীতে বন্দে ভাৰত ৰে'লযোগে কোকৰাঝাৰত উপস্থিত হ'ব আৰু ১৬ ফেব্ৰুৱাৰীত অনুষ্ঠিত হবলগীয়া বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অভিবৰ্তনত অংশ ল'ব। ইয়াৰোপৰি ৰাজ্যপালে কেন্দ্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান চমুকৈ চিআইটিৰ এক অনুষ্ঠানতো অংশগ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য চৰাইখোলাৰ অতিথিশালাত দুটানিশা কটাব বুলি জানিব পৰা গৈছে। আনহাতে অসম বিধানসভাৰ বাজেট অধিবেশনত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক বিটিচি বিধান পৰিষদীয় ভৱনলৈ অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বিটিচি বিধান পৰিষদৰ অধ্যক্ষ কাতিৰাম বড়ো, বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে আদৰি নিব বুলি জানিব পৰা গৈছে। ইপিনে বাজেট অধিৱেশনত অংশগ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীৰ উপৰিও আন মন্ত্ৰী বিধায়কসকল ১৭ ফেব্ৰুৱাৰীৰ ৰাতিপুৱাই গুৱাহাটীৰ পৰা চাৰ্টাৰ্ড বাচযোগে কোকৰাঝাৰলৈ ৰাওনা হ'ব আৰু বজালীত ৰাতিপুৱাৰ আহাৰ গ্ৰহণ কৰি কোকৰাঝাৰৰ বিটিচি বিধান পৰিষদীয় ভৱনত ৰাতিপুৱা ১১:০০ বজাৰ পূৰ্বে উপস্থিত হোৱাৰ সম্ভাৱনা আছে। অসম বিধানসভাৰ বাজেট অধিবেশন ৰাতিপুৱা ১১:৪৫ বজাৰ পৰা আৰম্ভ হ'ব। বিটিচি বিধান পৰিষদীয় ভৱনত অধিবেশনৰ বাবে ১২৬ খন আসন সাজু কৰি তোলা হৈছে। বিটিচিৰ কাৰ্যবাহী সদস্য, সদস্য সকল গেলেৰীৰ বাওঁফালৰ আসনত বহি অধিবেশনৰ কাৰ্যক্ৰমনিকা চোৱাৰ সুবিধা লাভ কৰিব। আনহাতে সাংবাদিকসকলৰ বাবে গেলেৰীৰ সোঁপিনৰ আসনত বহাৰ ব্যৱস্থা কৰিছে। আনহাতে অধিবেশনৰ কাৰ্যক্ৰমনিকা উপভোগ কৰিবলৈ দল-সংগঠনৰ নেতৃত্বক আমন্ত্ৰণ জনোৱা হৈছে আৰু তেওঁলোকে অস্থায়ীভাৱে নিৰ্মান কৰা ৰভাথলীৰ পৰা স্কীৰ্ণযোগে বিধানসভাৰ বাজেট অধিবেশনৰ পোনপোটীয়া সম্প্ৰচাৰ উপভোগ কৰিব পাৰিব। বৰ্তমানে বিটিচিৰ পাৰ্কিংৰ ঠাইডোখৰতে ৰভা নিৰ্মান কৰি উক্ত সুবিধাৰ ব্যৱস্থা কৰা হৈছে। আনহাতে বিটিচি সচিবালয়ৰ প্ৰাংগনতে নিৰ্মান কৰা অস্থায়ী মণ্ডপতে মন্ত্ৰী বিধায়কসকলক খোৱাৰ সুব্যৱস্থা কৰা হৈছে। উক্ত দিনা সুষম আহাৰ তথা পৰম্পৰাগত খাদ্যসম্ভাৰ আগবঢ়োৱা হ'ব বুলি জানিব পৰা গৈছে। প্ৰণিধানযোগ্য যে অসম বিধানসভাৰ বাজেট অধিৱেশন যাতে সুকলমে সম্পন্ন হয় তাৰ বাবে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী কেবাবাৰো বিটিচি বিধান পৰিষদ, সচিবালয় পৰিভ্ৰমন কৰি দিক নিৰ্দশনা দিছিল। অসমৰ মুখ্য সচিব ৰবি কোটাই বিটিচি বিধান পৰিষদ পৰিদৰ্শন কৰি অহা ১৭ ফেব্ৰুৱাৰীত কোকৰাঝাৰৰ বিটিচি বিধান পৰিষদত অনুষ্ঠিত হ'বলগীয়া অসম বিধানসভাৰ বাজেট অধিৱেশনৰ প্ৰস্তুতি সম্পৰ্কে পৰ্যবেক্ষণ কৰিছিল। বাজেট অধিৱেশনৰ প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু সকলোৱে অহা ১৭ ফেব্ৰুৱাৰীৰ ঐতিহাসিক দিনটোলৈ গভীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছে। এই অধিৱেশনে কি আশাৰ বতৰা কঢ়িয়ায় সেয়া লক্ষ্যণীয় হ'ব।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# আজিৰে পৰা ডিফুত আৰম্ভ কাৰ্বি যুৱ

কাৰবি যুৱ মহোৎসৱত কাৰবি লোক-কৃষ্টি, সংস্কৃতিৰ অমিয়া সুৱাস বিলাবলৈ ন-কইনাৰ দৰে সাজি কাচি ওলাইছে কাৰবি আংলং জিলাৰ সদৰ চহৰ ডিফুৰ সমীপৱৰ্তীৰ কাৰবি পিপুলছ হল তথা বৃহৎ তাৰালাংছৰ বাকৰি। প্ৰতি বছৰৰ দৰে এই বছৰো ১৫ ফেব্ৰুৱাৰীৰ পৰা ১৯ ফেব্ৰুৱাৰীলৈ ৫ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব এই যুৱ মহোৎসৱ। এইলৈ যুৱ মহোৎসৱটিৰ আয়োজকসকলে মহোৎসৱ উদযাপনৰ প্ৰস্তুতি তুংগত কৰি তুলিছে। ৮২৭ বিঘাৰ বৃহৎ ভূমি ক্ষেত্ৰৰে আৱৰা তাৰালাংচৰ বৃহৎ প্ৰকল্পটোত কাৰবি জাতীয় জীৱনৰ সোপান আৰু ডেকা-গাভৰুৰ প্ৰেমাস্পদৰ অন্যতম উৎসৱ 'কাৰবি যুৱ মহোৎসৱ'ক প্ৰতি বছৰৰ দৰে এই বছৰো আথে-বেথে আদৰি ল'বলৈ উদগ্ৰীৱ হৈ পৰিছে ৫১ সংখ্যক কাৰবি যুৱ মহোৎসৱৰ উদযাপন সমিতিয়ে। সৰু-বৰ পাহাৰৰ মনোৰম প্ৰাকৃতিক আৰু নৈসৰ্গিক পৰিৱেশৰ মাজতে মন পৰশা উতলা ফাগুনৰ সেমেকা বতাহত তাৰলাংচৰ বাকৰিত উদ্ভাসিত হ'ব কাৰবি পৰাম্পৰাগত লোক-কৃষ্টি সংস্কৃতিৰ অমিয়া সুবাস। জিলাখনত বসবাস কৰা প্ৰতিটো জনগোষ্ঠীৰ পৰাম্পৰাগত কৃষ্টি-সংস্কৃতিক অগ্ৰাধিকাৰ দি উদ্যোক্তাসকলে তাৰালাংচত সংস্কৃতিৰ পৃথিৱীখনত এক সুকীয়া পৰিচয় লাভ কৰিবলৈ সক্ষম হৈছে। ৮২৭ বিঘাজোৰা মাটিকালিৰ তাৰালাংচৰ বাকৰিত শিল্পীগ্ৰাম, বিভাগীয় প্ৰদৰ্শনীস্থলী, বজাৰ গৃহ, ক্ৰীড়াংগন, জনগোষ্ঠীয় আৱাস গৃহ, জনগোষ্ঠীয় নৃত্য আৰু কলা প্ৰদৰ্শনীৰ বাবে (আচেথাই) মঞ্চসমূহ বিভিন্ন আলোক সজ্জা আৰু ৰং-তুলিকাৰে ন-কইনাৰ দৰে সজাই পৰাই তোলা হৈছে। ১৯৭৪ চনৰ পৰাৰ পৰা ধাৰাবাহিকভাৱে অনুষ্ঠিত হৈ অহা যুৱ মহোৎসৱটিয়ে উত্তৰ পূৰ্বাঞ্চলৰ অন্যতম শ্ৰেষ্ঠ আৰু পুৰণি যুৱ মহোৎসৱ হিচাপে পৰিগণিত হৈ আহিছে। এইবাৰ যুৱ মহোৎসৱটিৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিব প্ৰায় ৭০ ফুট উচ্চতাৰ কাৰবি মহিলাৰ কাণত পিন্ধা অলংকাৰ কাৰবি নথেংপি (স্থায়ী প্ৰাসাদ) আৰু বৃহত্তৰ এলেকাজুৰি শিশুসকলৰ বিনোদনৰ বাবে টয় ট্ৰেইন আৰু ইক' পাৰ্ক অন্যতম। কাৰবি কালচাৰেল ছ'চাইটিৰ সাধাৰণ সম্পাদক বিদ্যাছিং ৰংপিয়ে আমাক দিয়া এক সাক্ষাতকাৰত জনায় যে, ৫১ সংখ্যক কাৰবি যুৱ মহোৎসৱটি সফলৰূপে উদযাপন কৰিবলৈ উদ্যোক্তাসকলে দিনে-নিশাই হাড়ভগা শ্ৰমেৰে প্ৰায় ৯৫ শতাংশ কাম সম্পূৰ্ণ কৰি তুলিছে। প্ৰায় ৪ কোটি টকা বাজেটলৈ উদযাপন কৰিবলগীয়া ৫১ সংখ্যক কাৰবি যুৱ মহোৎসৱত এইবাৰ বুদ্ধিজীৱিৰ সংখ্যা যথেষ্ট বৃদ্ধি পাব। অৰুণাচল, মেঘালয়, কাছাৰ, কামৰূপ, নগাঁও আদিৰ পৰা কেইবা সহস্ৰাধিক শিল্পীৰ অংশ গ্ৰহণেৰে মায়া নগৰীলৈ ৰূপান্তৰিত হ'ব তাৰালাংচৰ বাকৰি। তদুপৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক দলেও অংশগ্ৰহণ কৰিব বুলি কয়। যুৱ মহোৎসৱটিৰ উদ্বোধনী অনুষ্ঠানৰ পতাকা উত্তোলন কৰিব কেচিএছ সভাপতি চন্দ্ৰছিং ক্ৰহৈ। কাৰবি যুৱ মহোৎসৱৰ বাবে ইতিমধ্যে গ্ৰীক আৰ্হিত নিৰ্মিত লং মিৰ্জেং আচেথাই (মঞ্চ), চিং মিৰজেং আচেথাই, ছেমছনচিং আচেথোই (মঞ্চ)ও আটক ধুনীয়াকৈ সজাই পৰাই তোলা হৈছে। মাঞ্জালৈ যাবলগীয়া ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা ফালৰি কাটি ৫১ সংখ্যক কাৰবি যুৱ মহোৎসৱ থলীলৈ যাবলগীয়া ৪ লেনযুক্ত সমগ্ৰ পথছোৱাৰ বাবে সৌৰচাকী, ষ্ট্ৰীট লাইটৰ ব্যৱস্থাও হৈছে প্ৰশংসনীয়। তদুপৰি যান-জঁট নিয়ন্ত্ৰণ কৰিবলৈ উদ্যোক্তাসকলে স্বেচ্ছাসেৱীসকলক উচিত প্ৰশিক্ষণ প্ৰদান কৰা বুলি জানিব পৰা গৈছে।

# নগাঁৱত বিশ্ব ৰেডিঅ' দিৱস উদযাপন, মিলেশ্বৰ ডেকাক লোকশিল্পী-২০২৫ বঁটা প্ৰদান

**ই-সংবাদ, বেবেজীয়া, ১৪ ফেব্ৰুৱাৰীঃ** মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘৰ সৌজন্যত বৃহস্পতিবাৰে নগাঁও জিলাৰ ৰূপহী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিশ্ব ৰেডিঅ' দিৱসৰ লগতে সংঘৰ বাৰ্ষিক প্ৰতিষ্ঠা দিৱসটি বেছ উলহ-মালহেৰে উদযাপন কৰা হয় । সেই অনুসৰি পুৱা ১০ বজাত এটি চাইকেল ৰেলীৰে দিনযোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। চাইকেল ৰেলীটো উদ্বোধন কৰে ৰূপহী মহাবিদ্যালয়ৰ অধ্যক্ষ মনোজ কুমাৰ নাথে। ইয়াৰ পিছতেই মহাবিদ্যালয়ৰ চৌহদত বৃক্ষ ৰোপন কাৰ্যসূচী ৰূপায়ণ কৰাৰ অন্তত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা মুকলি সভা আৰু অন্তৰংগ অনুষ্ঠান সঞ্চালনা কৰে অধ্যক্ষ মনোজ কুমাৰ নাথ আৰু উপাধ্যক্ষ মইনা মনি দেৱীয়ে। সভাত বিশ্ব ৰেডিঅ' দিৱসৰ বিষয়ত মধ্য অসম শ্ৰোতা সংঘৰ সঞ্চালক ৰাহুল দেৱ বৰদলৈয়ে আলোকপাত কৰাৰ লগতে স্বাস্থ্য সম্পৰ্কীয় সজাগতা মূলক বক্তব্য প্ৰদান কৰে ডাঃ গুলজাৰ হুছেইনে। উক্ত সভাতে মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘই ঘোষণা কৰা লোকশিল্পী বঁটা-২০২৫ আনুষ্ঠানিক ভাৱে প্ৰদান কৰা হয় শিল্পী মিলেশ্বৰ ডেকাক। সভাত মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘৰ মুখ্য সঞ্চালক কিৰণ চন্দ্ৰ




নাথ, আদৰ্শ বিদ্যালয় লাওখোৱাৰ অধ্যক্ষা প্ৰিয়ংকা বৰদলৈ, সমাজকৰ্মী নপুৰ বৰ্ধন, ড° চিমা ভুঞা, ড° ৰশ্মি ৰেখা কলিতা, শিল্পী মীনা শইকীয়া, সমাজকৰ্মী দুৰ্লভ প্ৰৱন বৰুৱা, আকাশবাণীৰ ঘোষিকা হিৰন্যপ্ৰভা দিহিঙীয়া, দিব্যজ্যোতি বৰুৱা আদি উপস্থিত থাকে। গাম্ভীৰ্যপূৰ্ণ সভাখনিতে বিশ্ব ৰেডিঅ' দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত কৰা থিতাতে লিখা ৰচনা প্ৰতিয়োগীতাত ক্ৰমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হোৱা আৰিফ আহমেদ, খালেদা বেগম আৰু আল চুহানা আখতাৰাক শ্ৰোতা সংঘৰ তৰফৰ পৰা পুৰস্কৃত কৰা হয়। তদুপৰি শ্ৰোতা সংঘৰ ফালৰ পৰা মহাবিদ্যালয়খনৰ কেন্টিনলৈ এটি অনাঁতাৰ ছেট প্ৰদান কৰা হয়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# জুৰিৰপাৰ পঞ্চায়তত উন্নয়নৰ নামত স্থবিৰতা, শাসক-বিৰোধীৰ খোৱা-কামোৰা

## একাংশ সচেতন ৰাইজৰ হস্তক্ষেপত চলিছে উন্নয়নৰ কাম-কাজ

**ই-সংবাদ, বৈঠালাংছ', ১৪ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ দক্ষিণ প্ৰান্তৰ তথা কঠিয়াতলী উন্নয়ন খণ্ডৰ অন্তৰ্গত জুৰিৰপাৰ গাঁও পঞ্চায়তত উন্নয়নমূলক আঁচনি ৰূপায়ণত শাসক-বিৰোধীৰ মাজত চলিছে বোকা ছটিওৱা ৰাজনীতি। যাৰ ফলত পঞ্চায়তখনৰ উন্নয়নত স্থবিৰতা আহিছে। এনে সন্ধি ক্ষণত কঠিয়াতলী খণ্ড উন্নয়ন বিষয়া আৰু স্থানীয় ৰাইজৰ এক শক্তিশালী তত্ত্বাৱধানত আগবাঢ়িছে উন্নয়নমূলক আঁচনিৰ কাম-কাজসমূহ। প্ৰাপ্ত বাতৰি অনুসৰি, পঞ্চায়তখনৰ অন্তৰ্গত বিভিন্ন স্থানত যেনে- মুন্না দোকানৰ পৰা নিৰ্মল বৰা বাসগৃহলৈ কৃষিবান্ধ, পণ্ডিতঘাট প্ৰাথমিক বিদ্যালয়ৰ পৰা বলো ছাহু বাসগৃহলৈ কৃষিবান্ধ, সাতসৰীয়া অংগনৱাড়ী কেন্দ্ৰৰ পৰা আলিটাঙনী সীমালৈ কৃষিবান্ধ, উত্তৰ জুৰিৰপাৰ ৰাজহুৱা কবৰস্থানৰ ভূমি উন্নয়ন, জুৰিৰপাৰ মধ্য ইংৰাজী বিদ্যালয়ৰ ভূমি উন্নয়ন আদি কৰি বহুতো উন্নয়নমূলক আঁচনিৰ কাম অব্যাহত আছে। কিন্তু, পঞ্চায়তখনত কংগ্ৰেছৰ আধিপত্যত থকাৰ বাবে শাসক-বিৰোধীৰ মাজত বিভিন্ন সময়ত অব্যাহত আছিল দলীয় ৰাজনীতিৰ সংঘাত। সেই বাবে, পঞ্চায়তখনে গ্ৰহণ কৰা বহু উন্নয়নমূলক আঁচনিসমূহৰ কামৰ অগ্ৰগতি কিছু মন্থৰ হোৱা পৰিলক্ষিত হৈছিল। তদুপৰি, একাংশ সামাজিক মাধ্যমৰ লগতে বিভিন্ন মহলত পঞ্চায়তখনৰ অন্তৰ্গত বহু আঁচনিৰ কাম হোৱা নাই বুলি অভিযোগো উত্থাপনো হৈছিল। কিন্তু, বিষয় সন্দৰ্ভত পঞ্চায়তখনৰ স্থানীয় ৰাইজ তথা বহু সচেতন ব্যক্তিয়ে সাংবাদিকৰ আগত বিষয়টি নস্যাৎ কৰে। তেওঁলোকৰ মতে, এয়া আচলতে শাসক আৰু বিৰোধীৰ মাজত চলি থকা বোকা ছটিওৱা ৰাজনীতিহে। যিহেতু, এতিয়া পঞ্চায়তত নিৰ্বাচিত প্ৰতিনিধিৰ কোনোধৰণৰ অধিকাৰ নাই, সেই বাবে শাসক আৰু বিৰোধীৰ মাজত অব্যাহত আছে এক শীতল যুদ্ধ। যাৰ ফলত, বিৰোধী দলৰ নেতৃত্বত হোৱা উন্নয়নমূলক আঁচনিৰ সন্দৰ্ভত শাসকীয়ৰ প্ৰত্যাহ্বান আৰু শাসকীয় দলৰ নেতৃত্বত হোৱা উন্নয়নমূলক আঁচনিৰ সন্দৰ্ভত বিৰোধীয়ে প্ৰত্যাহ্বান জনোৱা পৰিলক্ষিত হৈছে। এই সন্দৰ্ভত স্থানীয় ৰাইজে মন্তব্য প্ৰকাশ কৰে যে ইয়াত ৰাজনীতিৰ বোকা ছটিওৱা খেলৰ উমান পোৱাত তেওঁলোকে নিজাববীয়াকৈ প্ৰতিটো উন্নয়নমূলক আঁচনিৰ কামৰ চৰজমিন তদন্ত কৰি যাতে কোনো এটা কামতেই স্থবিৰতা নাহে তাৰ প্ৰতিটো ক্ষণত তীব্ৰ নিৰীক্ষণ, প্ৰতিটো কামৰেই ইতিবাচক অগ্ৰগতি দেখা পোৱা গৈছে বুলিও মন্তব্য কৰে। আনহাতে, কঠিয়াতলী উন্নয়ন খণ্ডৰ কৰ্মোদমী বিষয়া শ্বেতা শৰ্মাৰ আন্তৰিকতাপূৰ্ণ আৰু শক্তিশালী নেতৃত্বত সকলোবোৰ আঁচনিৰ কাম নিয়াৰিকৈ অগ্ৰগতিৰ দিশে আগবাঢ়িছে। তদুপৰি, কোনো কামৰ মান অনুন্নত হ'লে আমি তৎক্ষণাত সংশ্লিষ্ট বিভাগক অৱগত কৰিম বুলিও সাংবাদিকৰ আগত প্ৰকাশ কৰে। অৱশ্যে, এই পৰ্যন্ত কঠিয়াতলী উন্নয়ন খণ্ডৰ অন্তৰ্গত এই জুৰিৰপাৰ গাঁও পঞ্চায়তৰ প্ৰতিটো কাম সুকলমে আৰু নিয়াৰিকৈ চলি আছে বুলিও দাবী কৰিছে স্থানীয় ৰাইজে। উল্লেখ্য যে, অকল জুৰিৰপাৰ পঞ্চায়ত বুলিয়েই নহয় অসমৰ বহু পঞ্চায়তত শাসক-বিৰোধীৰ যুঁজখনত সাধাৰণ জনতাই পাবলগীয়া বিভিন্ন সুবিধাৰ পৰা বঞ্চিত হৈ অহাৰ অভিযোগ উত্থাপিত হৈছে। কিন্তু, জুৰিৰপাৰ গাঁও পঞ্চায়তৰ ৰাইজ তথা সচেতন মহলৰ এই ব্যতিক্ৰমী প্ৰচেষ্টাই সাধাৰণ ৰাইজক বহু গুণে উপকৃত কৰাৰ লগতে এক আদৰ্শও হৈ ৰ'ব বুলি ব্যাপক চৰ্চিত হৈছে।

# বৰপেটাৰোডৰ জিএলচি কলেজৰ উদ্যোগত বৰষুণৰ পানী সংগ্ৰহ বিষয়ত কৰ্মশালা

**ই-সংবাদ, বৰপেটাৰোড, ১৪ ফেব্ৰুৱাৰীঃ** বৰপেটাৰোডৰ জি এল চি কলেজৰ উদ্যোগত কেঁচুসাৰ, আৱৰ্জনা ব্যৱস্থাপনা, বৰষুণৰ পানী সংগ্ৰহ বিষয়ত এক কৰ্মশালাৰ আয়োজন কৰা হয়। বৰপেটাৰোডৰ গণেশলাল চৌধুৰী মহাবিদ্যালয়ৰ ইক' ক্লাবৰ উদ্যোগত মঙলবাৰে এদিনীয়া এখন কৰ্মশালা অনুষ্ঠিত কৰা হয়। ভাৰত চৰকাৰৰ পৰিবেশ-বন আৰু জলবায়ু পৰিবৰ্তন মন্ত্ৰালয়ৰ দ্বাৰা সমৰ্থিত তথা অসম বিজ্ঞান-প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ দ্বাৰা ৰূপায়িত কৰ্মশালাৰ বিষয়বস্তু আছিল 'কেঁচুসাৰ, কঠিন আৱৰ্জনা ব্যৱস্থাপনা আৰু বৰষুণৰ পানী সংগ্ৰহ'। মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা পিয়ালী ঘোষে বন্তি প্ৰজ্বলন আৰু আই কিউ এ চিৰ সমন্বয়ক কল্যাণ তালুকদাৰে কৰ্মশালাৰ উদ্দেশ্য ব্যাখ্যা কৰে। কৰ্মশালাখনত উদ্ভিদ বিজ্ঞানৰ সহকাৰী অধ্যাপক মনীষ পলে পৰিৱেশ শিক্ষা কাৰ্যসূচী আৰু বিদ্যালয়-মহাবিদ্যালয়ত ইক' ক্লাবৰ গুৰুত্বপূৰ্ণ ভূমিকাত গুৰুত্ব আৰোপ কৰি কলেজসমূহে পৰিৱেশ সজাগতা বৃদ্ধি আৰু ছাত্ৰ-ছাত্ৰীসকলক জড়িত হ'বলৈ অনুপ্ৰাণিত কৰাত গুৰুত্ব আৰোপ কৰে। কৰ্মশালাত মনীষ পলে পুনৰ ইক' ক্লাবসমূহে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰি গছপুলি ৰোপণ, আৱৰ্জনা ব্যৱস্থাপনা কাৰ্যসূচীকে ধৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বহনক্ষম আৰু পৰিবেশ বন্ধুত্বপূৰ্ণ মানসিকতা গঢ়ি তোলাৰ ক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া ভূমিকা সন্দৰ্ভতো বক্তব্য আগবঢ়ায়। কৰ্মশালাখনত সমল ব্যক্তি হিচাপে উপস্থিত থকা বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড০ অৰ্জুন অধিকাৰীয়ে কঠিন আৱৰ্জনা ব্যৱস্থাপনাৰ ধাৰণাৰ বিষয়ে ব্যাখ্যা কৰি জৈৱ বিঘিত আৰু অ-জৈৱ বিঘিত আৱৰ্জনা, আৱৰ্জনা ব্যৱস্থাপনাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা, কঠিন আৱৰ্জনাসমূহৰ পৰিবেশ প্ৰভাৱ আৰু বিভিন্ন ফলপ্ৰসূ ব্যৱস্থাপনা পদ্ধতি সন্দৰ্ভত বক্তব্য আগবঢ়ায়। একেদৰে ড০ অৰ্জুন অধিকাৰীয়ে বৰষুণৰ পানী সংগ্ৰহৰ ওপৰত বিশদ ব্যাখ্যা আগবঢ়াই ছাদ আৰু পৃষ্ঠৰ পৰা বৈ যোৱা পানীকে ধৰি বিভিন্ন বৰষুণৰ পানী সংগ্ৰহ ব্যৱস্থাপনা প্ৰৱৰ্তন কৰা আৰু ইয়াৰ সুবিধাসমূহৰ ওপৰতো আলোকপাত কৰে। তেওঁ ভূ-গৰ্ভস্থ পানী পুনৰ ভৰোৱা, উন্নত পানী উপলব্ধতা আৰু পৰিৱেশ বহন ক্ষমতাৰ লগতে পানী সংগ্ৰহৰ মৌলিক ব্যৱস্থা, জলাশয় এলেকা, পৰিবহণ চেনেল সংৰক্ষণ ইউনিট, পৰিশোধন ব্যৱস্থাৰ সফল প্ৰকল্পৰ ব্যৱহাৰিক উদাহৰণসহ ব্যাখ্যা কৰে। আনহাতে ইক' ক্লাবৰ সমন্বয়ক ৰিংহোইলাল চোৰেই ছাত্ৰ-ছাত্ৰীসকলক বৰষুণৰ পানী সংগ্ৰহৰ বিভিন্ন কৌশল প্ৰদৰ্শন কৰে। বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ত্ৰিদীপ বৰুৱাই আন এজন সমল ব্যক্তি হিচাপে কৰ্মশালাত উপস্থিত থাকি কেঁচুসাৰৰ প্ৰক্ৰিয়া, প্ৰতিৰোধমূলক ব্যৱস্থা, চপোৱা কৌশল আদিৰ ওপৰতো ব্যাখ্যা আগবঢ়াই হাতে-কামে প্ৰশিক্ষণ দিয়ে। কৰ্মশালাখনত ৯ খন বিদ্যালয়ৰ ৫৪ গৰাকী ছাত্ৰ-ছাত্ৰীৰ লগতে ৯ জন ভাৰপ্ৰাপ্ত শিক্ষক, ১৫ জন ইক' ক্লাবৰ সদস্যই অংশ লোৱাৰ লগতে প্ৰাণী বিজ্ঞানৰ সহকাৰী অধ্যাপিকা সবিতা গগৈয়ে শলাগৰ শৰাই আগবঢ়ায়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# গৌৰৱ গগৈৰ ভয়ত কম্পমান মুখ্যমন্ত্ৰীয়ে প্ৰলাপ বকিবলৈ আৰম্ভ কৰিছে! দ্বীপ বায়নৰ দাবী

## আসমৰ ৰাইজক জাপি দিয়া বৃহৎ ঋণৰ বোজা কোনে মাৰিব বুলিও প্ৰশ্ন

**ই-সংবাদ, ভৱানীপুৰ, ১৪ ফেব্ৰুৱাৰীঃ** 'গৌৰৱ গগৈৰ ভয়ত কম্পমান মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এতিয়া মুখত যি আহে তাকে কৈ প্ৰলাপ বকিবলৈ আৰম্ভ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীৰ এতিয়া ভ্ৰমৰংগ ঘটিছে। ভয়তে ভূত দেখিছে। আমাৰ অসমীয়াত কাউৰীয়ে কাণখন নিয়া বুলি কোৱা এষাৰি প্ৰবচন আছে। গতিকে আমি কাণখন বিচাৰি কাউৰীৰ পিছত দৌৰাতকৈ প্ৰথমে আমি কাণখন ঠিক ঠাইত আছে নে নাই সেই কথাটো প্ৰথমে পৰীক্ষা কৰি চাব লাগিব।'- এই মন্তব্য কংগ্ৰেছ নেতা দ্বীপ বায়নৰ। কালি ভৱানীপুৰৰ সমীপৰ ৩ নং বৰপেটা লোকসভা সমষ্টিৰ অন্তৰ্গত আমদহ-বৰলা অঞ্চলৰ ৭৮ সংখ্যক শ্ৰীশ্ৰীগোপীনাথ মহাপ্ৰভুৰ সভা মহোৎসৱত সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন কৰাৰ পিছতে নিশা সাংবাদিকৰ আগত এইদৰে মন্তব্য কৰে কংগ্ৰেছ নেতাগৰাকীয়ে। 'চাগে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ চকীখনৰ ক'ৰবাত লৰকফৰক হৈছে আৰু সেয়ে তেওঁ ভয়তে ভ্ৰম বকিছে' বুলিও তেওঁ কয়। উল্লেখ্য যে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সম্প্ৰতি সাংসদ গৌৰৱ গগৈৰ বিৰুদ্ধে সামাজিক মাধ্যমৰ জৰিয়তে সাংসদগৰাকীৰ বিদেশী পত্নীৰ নাগৰিকত্ব আৰু পাকিস্তানৰ কৰ্মজীৱনক লৈ সামাজিক মাধ্যমত কৰা মন্তব্যৰ পিছতে ৰাজ্যৰ ৰাজনীতি উত্তাল হৈ আছে। তেওঁ কয় যে বিজেপিয়ে প্ৰতিটো মুহূৰ্ততে ৰাইজক শোষণ কৰি আহিছে। ছিণ্ডিকেটৰ জৰিয়তে ৰাইজক মাধমাৰ শোধাই আহিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাইজৰ মনৰ পৰা বহু দূৰৈত অৱস্থান কৰিছে। সেয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে এক ভিত্তিহীন কথাৰে ৰাইজক বিভ্ৰান্ত কৰাৰ পন্থা গ্ৰহণ কৰিছে। গৌৰৱ গগৈৰ উত্থানত শংকিত হৈছে বিজেপি। বৰ্তমান বিজেপিৰ ভৰিৰ তলৰ মাটিখিনিও নোহোৱা হ'বলৈ আৰম্ভ কৰিছে। অৰ্থনৈতিক সূচাংকত পূৰ্বৰ স্থানৰ পৰা ৰাজ্যখন তিনিটা স্থানলৈ অৱনমিত হৈছে। অথচ মুখ্যমন্ত্ৰীয়ে তেওঁৰ সোঁৰে-বাঁৱে সম্পত্তিৰ পাহাৰ গঢ়িছে।ছিণ্ডিকেট, মাফিয়াৰাজ, দামবৃদ্ধি, ভয়ংকৰ নিবনুৱা সমস্যাই চানিছে অসম। দুই-চাৰিজন মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ ঠিকাদৰৰ বাদে বাকীসকলৰ বিলৰ ধন অনাদায় আছে। শ শ কোটি কোটি টকা ধাৰত পোত গৈছে ৰাজ্যখন। আনহাতে, মুখ্যমন্ত্ৰিত্ব গ'লে মুখ্যমন্ত্ৰীগৰাকীয়ে এৰি থৈ যোৱা বৃহৎ ঋণৰ বোজা কোনে মাৰিব বুলিও প্ৰশ্ন কৰে নেতাগৰাকীয়ে।

---

# হাগ্ৰামাই দুই লাখ টকীয়া টিকটৰ বজাৰ খুলিছে! কটাক্ষ প্ৰমোদ বড়োৰ, ট্ৰেক্টৰত উঠিল হিতেশ বসুমতাৰী

**ই-সংবাদ, মুছলপুৰ, ১৪ ফেব্ৰুৱাৰীঃ** 'এসময়ত বৰ্তমানৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই বিভিন্ন ঘাট-প্ৰতিঘাটৰ মাজেৰে ইউপিপিএল দলৰ নাওখন মেলি দিছিল কিন্তু এতিয়া ইউপিপিএল এখন বৃহৎ জাহাজলৈ পৰিৱৰ্তিত হৈছে। বিটিচিখন বহু ৰাজনৈতিক দলে দখল কৰিম বুলি কৈ থাকে। আমি কিন্তু দখল কৰিব অহা নাই, সেৱা আগবঢ়াবহে আহিছো।'- আজি মুছলপুৰত প্ৰাক্তন বিধায়ক হিতেশ বসুমতাৰীয়ে ইউপিপিএল দলত যোগদান কৰা এক জনাকীৰ্ণ কাৰ্যসূচীত অংশ লৈ এনেদৰে কয় বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে। তেওঁ লগতে হাগ্ৰামা মহিলাৰীক সমালোচনা কৰি কয় যে হাগ্ৰামা মহিলাৰীৰ আনক বুজিব পৰা ক্ষমতা নাই। বিটিচিৰ চুক্তি ইত্যাদি ৰূপায়ণতো নাই হাগ্ৰামা মহিলাৰীৰ কোনো অৱদান। হাগ্ৰামা মহিলাৰীয়ে মই এবছৰত থকা দিনৰ পৰাই মোক টাৰ্গেট কৰি লৈ আহিছে। কিন্তু মোৰ টাৰ্গেট হাগ্ৰামা মহিলাৰী নহয়। মোৰ টাৰ্গেট বিটিআৰৰ সৰ্বস্তৰৰ উন্নয়ন। মই বিটিআৰৰ শিক্ষাৰ দিশটোৰ উন্নতিৰ হ'কে কাম কৰিছো। কোনো চৰকাৰী বিদ্যালয় যাতে অনুন্নত হৈ নাথাকে মই সেয়া নজৰ ৰাখিছো। বড়ো-অবড়ো ৰাজনীতি কৰা বুলি প্ৰাক্তন সাংসদ নৱ কুমাৰ শৰণীয়াকো নাম নোলোৱাকৈ আক্ৰমণৰ লক্ষ্য কৰি লয় প্ৰমোদ বড়োৱে। তেওঁ দিহিৰা পৰিষদীয় সমষ্টিৰ অন্তৰ্গত ভূমিৰ সমস্যা থকা গাঁওসমূহত ভূমিৰ পট্টা দিয়াৰ ক্ষেত্ৰত ল'বলগীয়া ব্যৱস্থাসমূহ চলি আছে বুলিও মন্তব্য কৰে। তেওঁ লগতে হাগ্ৰামা মহিলাৰীয়ে নিৰ্বাচনৰ বাবে টিকট প্ৰত্যাশীৰ বাবে দুই লাখকৈ আগধন দি আবেদন কৰা এখন বজাৰ খুলিছে বুলি হাগ্ৰামা মহিলাৰীক কটাক্ষ কৰি আমি কিন্তু উপযুক্ত নেতৃত্বৰ হাতত শাসনৰ বাঘজৰী দিব বিচাৰিছো বুলি মন্তব্য কৰে। ইফালে, আজি যোগদান কৰা বাক্সাৰ প্ৰভাৱশালী নেতা তথা প্ৰাক্তন বিধায়ক হিতেশ বসুমতাৰীয়েও হাগ্ৰামা মহিলাৰীক সমালোচনা কৰি কয় যে হাগ্ৰামা মহিলাৰীয়ে আজিও নিজক বিটিচিৰ চীফ বুলি ভাবি থাকে। তেওঁৰ দ্বাৰা বিটিআৰৰ উন্নয়ন সম্ভৱ নহয় । উল্লেখ্য যে আজি ইউপিপিএলত আনুষ্ঠানিকভাৱে যোগদান কৰে হিতেশ বসুমতাৰীয়ে। বিশাল সমদল লৈ তেওঁ মুছলপুৰ দুৰ্গা মন্দিৰ প্ৰাংগণৰ যোগদান কাৰ্যসূচীত উপস্থিত হয়। প্ৰকাশ যে এইগৰাকী নেতাই কেইদিনমান পূৰ্বে বিপিএফ ত্যাগ কৰিছিল। তেওঁ আজি বিটিআৰ প্ৰধান প্ৰমোদ বড়োৰ উপস্থিতিত মুছলপুৰ দুৰ্গা মন্দিৰ প্ৰাংগণৰ অনুষ্ঠিত ইউপিপিএল দলৰ এক বিশাল সভাত দলটোত যোগদান কৰে। যোগদান সভাত উপস্থিত থাকে ইতিমধ্যে ইউপিপিএলত যোগ দিয়া একালৰ হাগ্ৰামা মহিলাৰীৰ সহযোগী খাম্পা বৰগয়াৰী, চন্দন ব্ৰহ্মও। ইউপিপিএল দলত যোগদানৰ পাছত ছাপাগুৰি সমষ্টিৰ প্ৰাক্তন বিধায়ক হিতেশ বসুমতাৰীয়ে কয়, হাগ্ৰামাই এতিয়াও নিজকে বিটিচিৰ চীফ বুলিয়ে প্ৰচাৰ কৰে। ইফালে, হিতেশ বসুমতাৰীয়ে হাগ্ৰামা মহিলাৰীয়ে প্ৰায়ে সন্দেহজনক ভূমিকা পালন কৰে বুলি উল্লেখ কৰি হাগ্ৰামা মহিলাৰী সন্দৰ্ভত সৰৰ হৈ পৰে। লগতে তেওঁক হাগ্ৰামা মহিলাৰীয়ে কামাণ্ডাৰ আখ্যা দিয়াত সুখীহে হৈছে বুলি জানিবলৈ দি কামাণ্ডাৰে যুদ্ধৰ নেতৃত্ব দিয়ে বুলি মন্তব্য কৰে। সভাত খাম্ফা বৰগয়াৰীয়ে বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে কৰা মন্তব্যৰ প্ৰত্যুত্তৰত কয় যে হাগ্ৰামা মহিলাৰীয়ে মোক আৰু চন্দন ব্ৰহ্মাক গাঁওবুঢ়া আখ্যা দিছে। কিন্তু আমি গাঁওবুঢ়া মানে জানো যে গাঁৱৰ মুখিয়াল অৰ্থাৎ সন্মানীয় ব্যক্তি। তেওঁ আমাক গাঁওবুঢ়া বুলি কৈছে আমি অলপ দুখ পাইছো। কিন্তু আমি সেনাপতিহে। সেনাপতি হৈ আমি প্ৰমোদ বড়োৰ হাত শক্তিশালী কৰিব বিচাৰিছোঁ। ভাষণ প্ৰসংগত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই কয় যে আজি হিতেশ বসুমতাৰীৰ যোগদানে ইয়াকে বুজাই দিলে যে বাক্সা জিলাৰ অন্তৰ্গত বিটিচিৰ পৰিষদীয় সমষ্টিকেইটা ইউপিপিএলৰ বাবে নিশ্চিত। হাগ্ৰামা মহিলাৰীক সমালোচনা কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ২০২৫ৰ বিটিচি পৰিষদীয় নিৰ্বাচনৰ পিছত বিপিএফ দল নিশ্চিহ্ন হৈ যাব। হাগ্ৰামা মহিলাৰীৰ কথাৰ কোনো মূল্য নাই। আমি সকলোকে ইউপিপিএল দললৈ স্বাগতম জনাওঁ। হাগ্ৰামা মহিলাৰীৰ সংগ এৰি এবছৰ আগত প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্মা আহিল, কিছুদিন আগত প্ৰাক্তন উপ মুখ্য কাৰ্যবাহী সদস্য খাম্ফা বৰগয়াৰী আহিল আৰু আজি প্ৰাক্তন বিধায়ক হিতেশ বসুমতাৰীয়ে যোগদান কৰিলে। এয়া আমাৰ দলৰ বাবে শুভ লক্ষণ। আনহাতে, প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্মাই ভাষণ প্ৰসংগত কয় যে প্ৰমোদ বড়োৰ বলিষ্ঠ নেতৃত্বত ইউপিপিএল দললৈ এটা জোৱাৰ আহিছে। একতাৰে শান্তি, প্ৰগতিৰ লক্ষ্যৰে আগবাঢ়িছে ইউপিপিএল দল। তেওঁ হাগ্ৰামা মহিলাৰীয়ে পাতল মন্তব্য কৰে বুলি উল্লেখ কৰি বিশ্লেষণাত্মকভাৱে কয় যে এই সকলোখিনিত হাগ্ৰামা মহিলাৰীৰ শংকা, খং, ক্ষোভ প্ৰকাশ পাইছে। আগন্তুক দিনতো ইউপিপিএল দল আগবাঢ়িব, ইউপিপিএলৰ গতি কোনেও ৰুধিব নোৱাৰে বুলি মন্তব্য কৰে চন্দন ব্ৰহ্মাই।

# লাহৰীঘাটত পুনৰ বৃহৎ পৰিমাণৰ ড্ৰাগছসহ এজনক গ্ৰেপ্তাৰ আৰক্ষীৰ

**ই-সংবাদ, লাহৰীঘাট, ১৪ ফেব্ৰুৱাৰীঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আৰক্ষীয়ে অব্যাহত ৰাখিছে নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে অভিযান। লাহৰীঘাটত আৰক্ষীয়ে অভিযান চলাই পুনৰ বৃহৎ পৰিমাণৰ ড্ৰাগছসহ এটা ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত যোৱা নিশা মৰিগাঁও আৰক্ষীৰ বিশেষ শাখা আৰু লাহৰীঘাট আৰক্ষীয়ে যৌথভাৱে লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত ধিঙৰআটি ছিভিলৰ সন্মুখত অভিযান চলাই ড্ৰাগছসহ হাতে-লোটে গ্ৰেপ্তাৰ কৰে ড্ৰাগছ সৰবৰাহকাৰীটোক। ধৃত ড্ৰাগছ সৰবৰাহকাৰীটো থানাৰ অন্তৰ্গত ধিঙৰআটি গাঁৱৰ ৰাহুল আমিন। ধৃত ড্ৰাগছ সৰবৰাহকাৰীটোৰ পৰা ড্ৰাগছ ভৰ্তি ৩৪ টা কণ্টেইনাৰ জব্দ কৰে আৰক্ষীয়ে। উল্লেখ্য যে, ধৃত ড্ৰাগছ সৰবৰাহকাৰী ৰাহুল আমিন দীৰ্ঘদিন ধৰি অবৈধ ড্ৰাগছৰ ব্যৱসায় চলাই অহাৰ অভিযোগ উত্থাপন হৈ আহিছিল। লাহৰীঘাট আৰক্ষীয়ে ধৃত ড্ৰাগছ সৰবৰাহকাৰীটোৰ বিৰুদ্ধে এটি গোচৰ পঞ্জীয়ন কৰি আজি মৰিগাঁও আদালতত হাজিৰ কৰায়।

## কুম্ভকৰ্ণ নিদ্ৰাত স্থানীয় প্ৰশাসন, প্ৰদূষণ নিয়ন্ত্ৰণ বিভাগ

# ইটাভাটাৰ ক'লা ধোঁৱাই ছানিছে পৰ্বতঝোৰাৰ জংগিৰকিল্লা

**ই-সংবাদ, পৰ্বতঝোৰা, ১৪ ফেব্ৰুৱাৰীঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ মণিপুৰ জংগিৰকিল্লা অঞ্চলত অৱস্থিত মানী ব্ৰিক ফেক্টৰীৰ নামৰ ইটাভাটাৰ ক'লা ধোঁৱাই অঞ্চলটোৰ পাৰিপাৰ্শিক দিশত এক ভয়ংকৰ ৰূপ ধাৰণ কৰাত অঞ্চলটোৰ ৰাইজ শংকিত হৈ পৰিছে। আনকি এইটো ইটা ভাটাৰ পৰা নিৰ্গত হোৱা অস্বাস্থ্যকৰ ক'লা ধোঁৱাৰ ফলত এক ভয়ংকৰ দুৰাৰোগ্য কৰ্কট ৰোগৰ আগজাননী দিয়া বুলি সচেতন নাগৰিকে আভিযোগ উত্থাপন কৰিছে। অভিযোগ মতে, এই ইটা ভাটাৰ পৰা অবিৰতভাৱে নিৰ্গত হোৱা ক'লা ধোঁৱাই ছানি ধৰিছে সমগ্ৰ মণিপুৰ, জংগিৰকিল্লা আদি অঞ্চল। উল্লেখ্য যে কোকৰাঝাৰ জিলা প্ৰশাসনে চৰকাৰীভাৱে কৃষি ভূমি হিচাপে ঘোষণা কৰা সত্বেও অবৈধভাৱে ডাম্পাৰ, ট্ৰেক্টৰৰ দ্বাৰা মাটিসমূহ অবৈধ ইটাভাটাসমূহলৈ সৰবৰাহ কৰে। ডাম্পাৰৰ এনে অহা-যোৱাৰ দৃশ্য অঞ্চলটোৰ সচেতন নাগৰিকে দেখিবলৈ পায়, অথচ বন বিভাগ, মহকুমা প্ৰশাসন দেখিও নেদেখা কুলিৰ ভাও জুৰা বুলি অভিযোগ উত্থাপন হৈছে। আনকি কাৰ ছত্ৰছায়াত এই অবৈধ ইটাভাটাসমূহ চলি আছে বুলি প্ৰশ্নৰ অৱতাৰণা হৈছে। ঘৰ বনোৱা ইটাৰ বিপৰীতে বজাৰত বিকল্প ব্যৱস্থা আছে যদিও কি কাৰণত দিনে দিনে কাঠফুলাৰ দৰে গঢ়ি উঠিছে অবৈধ ইটাভাটা? অভিযোগ অনুসৰি উক্ত মানী ব্ৰিক ফেক্টৰী ইটাভাটাৰ মালিক অমিত পাল এণ্ড গ্ৰুপে ছিণ্ডিকেট চক্ৰৰ লগত গোপন মিতিৰালিৰে অসমৰ ইটাসমূহ পশ্চিমবংগ লৈ সৰবৰাহ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। গৌৰীপুৰৰ লগতে পৰ্বতঝোৰা মহকুমাত ভালেকেইটা ইটাভাটা কাঠফুলাৰ দৰে গঢ়ি উঠিছে। য'ত শিশু শ্ৰমিকৰো প্ৰৱেশ ঘটিছে বুলি অভিযোগ উঠিছে। আনকি ইটাভাটাৰ মালিক আৰু ছিণ্ডিকেট চক্ৰৰ জৰিয়তে লাখ লাখ টকাৰ কৰ ফাঁকিৰ উপৰি কৃষিভূমিসমূহ ধংসৰ গঢ়াহত ঠেলি দিয়াৰো ভয়াৱহ অভিযোগ উত্থাপিত হৈছে। ইপিনে, ইটাভাটাৰ ক'লা ধোঁৱাই কৃষিজীৱি ৰাইজৰ সপোনৰ ইৰি ধানৰ খেতি পথাৰসমূহ ক্ৰমে ছানি ধৰিছে। সেয়ে অসম চৰকাৰৰ লগতে বিটিআৰৰ কোকৰাঝাৰ জিলা আয়ুক্ত, বিটিআৰ চীফ প্ৰমোদ বড়ো, পৰ্বতঝোৰা বন সংমণ্ডল বিষয়াই পৰ্বতঝোৰাৰ মণিপুৰত অৱস্থিত মানী ব্ৰিক ফেক্টৰীৰ বিৰুদ্ধে এইবাৰ কেনে পদক্ষেপ হাতত লয় সেয়া সময়তহে লক্ষণীয় হ'ব।



২৪ ফেব্ৰুৱাৰীত ৭,৫০০ শিল্পীয়ে ঝুমুৰ নৃত্য প্ৰদৰ্শন কৰিবলগীয়া সৰুসজাই ষ্টেডিয়ামৰ প্ৰস্তুতিৰ বুজ লৈছে মুখ্যমন্ত্ৰীয়ে

# পশ্চিম যোৰহাটৰ টিঙিৰীমৰা কুমাৰ গাঁৱত কিশোৰক যৌন উৎপীড়ন

## অভিযুক্তক কৰায়ত্ত

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৪ ফেব্ৰুৱাৰীঃ** যোৰহাট জিলাৰ পুলিবৰ আৰক্ষী থানাৰ অন্তৰ্গত পশ্চিম যোৰহাটৰ টিঙিৰীমৰা কুমাৰ গাঁৱত সংঘটিত হৈছে এক জঘন্য ঘটনা। যি ঘটনাই সমগ্ৰ অঞ্চলটোতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰাৰ লগতে সকলোকে লজ্জিত কৰি তুলিছে। জানিব পৰা মতে, ভাওনাৰ মহিলাৰ চৰিত্ৰত অভিনয় কৰা সীমান্ত কলিতা ওৰফে বৰজান নামৰ যুৱকজনে স্থানীয় ১৫ বছৰীয়া এজন কিশোৰক যৌন উৎপীড়ন চলায়। ঘটনাৰ সন্দৰ্ভত কিশোৰজনে পৰিয়ালৰ লোকসকলক অৱগত কৰাত পৰৱৰ্তী সময়ত কিশোৰজনৰ পৰিয়ালৰ লোকে স্থানীয় পুলিবৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰি অভিযুক্ত সীমান্ত কলিতাক উচিত শাস্তিৰ দাবী উত্থাপন কৰে। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে গোচৰ ৰুজু কৰি অভিযুক্ত সীমান্ত কলিতাক আটক কৰিছে বুলি জানিব পৰা গৈছে। পশ্চিম যোৰহাটৰ টিঙিৰীমৰা কুমাৰ গাঁৱত সংঘটিত এই লজ্জাজনক ঘটনাই সমগ্ৰ অঞ্চলটোতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# নগৰবেৰাত অসম বিজ্ঞান সমিতিৰ ৭৩ সংখ্যক প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, নগৰবেৰা, ১৪ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰাৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনত কালি অৰ্থাৎ ১৩ ফেব্ৰুৱাৰীত অসম বিজ্ঞান সমিতিৰ ৭৩ সংখ্যক প্ৰতিষ্ঠা দিৱসটি অসম বিজ্ঞান দিৱস হিচাপে পালন কৰা হয়। অসম বিজ্ঞান সমিতিৰ নগৰবেৰা শাখাৰ উদ্যোগত পালন কৰা অসম বিজ্ঞান দিৱস উপলক্ষে পুৱা শাখাৰ সভাপতি তথা বিমলা প্ৰসাদ চলিহা কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ নূৰ আলম হকে পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰাৰ পিছত বৃক্ষৰোপণ কৰে শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ প্ৰধান আচাৰ্য খনিন্দ্ৰ চৌধুৰী, সহযোগী অধ্যাপক ড০ আতোৱাৰ ৰহমান আৰু সহযোগী অধ্যাপক বিষ্ণুৰাম তালুকদাৰে। ইয়াৰ পিছত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। আবেলি ২বজাত "জলবায়ু পৰিৱৰ্তন ৰোধক অভিযান স্থৱিৰতা দূৰ কৰো আহক' শীৰ্ষ বিষয় সন্দৰ্ভত এক আলোচনা চক্ৰ আৰু মুকলি সভা অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ নুৰ আলম হকে সঞ্চালনা কৰা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক তথা অসম বিজ্ঞান সমিতিৰ নগৰবেৰা শাখাৰ সম্পাদক ড০ আতোৱাৰ ৰহমানে।সভাত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক আবু বক্কৰ ছিদ্দিকে মূল বক্তা হিচাপে উপস্থিত থাকি বিষয়বস্তুৰ ওপৰত ভাষণ প্ৰদান কৰে। তদুপৰি সভাত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কমল পাঠক, সহযোগী অধ্যাপক বিষ্ণুৰাম তালুকদাৰ, প্ৰধান আচাৰ্য খনিন্দ্ৰ চৌধুৰী, জামলাই হাইস্কুলৰ প্ৰধান শিক্ষক জাহিদুল ইছলাম, শিক্ষয়িত্ৰী আৰতি গোস্বামী আদিয়ে অংশ গ্ৰহণ কৰি ভাষণ প্ৰদান কৰে।

# ডুমডুমা বি আৰ এম চৰকাৰী আদৰ্শ মহাবিদ্যালয়লৈ মুখ্যমন্ত্ৰীৰ বিত্তীয় সাহায্য প্ৰদান

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৪ ফেব্ৰুৱাৰীঃ** ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়লৈ অলপতে এক চৰকাৰী অনুদান কঢ়িয়াই অনাৰ বিষয়টোত মহাবিদ্যালয় পৰিয়ালে গভীৰ সন্তুষ্টি ব্যক্ত কৰিছে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়াই এইক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে স্থানীয় বিধায়ক তথা মন্ত্ৰী ৰূপেশ গোৱালাৰ লগতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুকো ধন্যবাদ জনাইছে। উল্লেখ্য যে যোৱা ২৮ ডিচেম্বৰত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু মাৰ্ঘেৰিটালৈ আহোঁতে শিক্ষামন্ত্ৰীগৰাকীক সাক্ষাৎ কৰি অধ্যক্ষ ড° অমৰজিৎ শইকীয়াই মহাবিদ্যালয়খনৰ দুৰ্দশা সন্দৰ্ভত অৱগত কৰাৰ লগতে অধ্যক্ষ ড° শইকীয়াই শিক্ষামন্ত্ৰী ডাঃৰণোজ পেগুক মহাবিদ্যালয়খনৰ হৈ এখন পত্ৰ প্ৰদান কৰিছিল। এই সন্দৰ্ভত অধক্ষগৰাকীক মন্ত্ৰী ডাঃ পেগুৱে আশ্বাস দিয়াৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অৱগত কৰাত মুখ্যমন্ত্ৰীয়ে মহাবিদ্যালয়খনৰ সমস্যাৰ সাময়িকভাৱে সকাহ দিব পৰাকৈ মুখ্যমন্ত্ৰীৰ জন আপদকালীন পুঁজিৰপৰা মহাবিদ্যালয়খনলৈ ২০ লাখ টকাৰ এক বিত্তীয় সাহাৰ্য্য প্ৰদান কৰে। মন্ত্ৰী ৰূপেশ গোৱালাই অলপতে মহাবিদ্যালয়খনত উপস্থিত হৈ সকলো শিক্ষাৰ্থী আৰু শিক্ষকৰ উপস্থিতিত আনুষ্ঠানিকভাৱে অধ্যক্ষ ড° শইকীয়াৰ হাতত ২০ লাখ টকাৰ চেকখন অৰ্পণ কৰে। উল্লেখ্য যে ২০২০ চনৰ প্ৰথম ভাগতেই তদানীন্তন শিক্ষামন্ত্ৰী তথা বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয় ঘোষণা কৰি অধ্যাপক-অধ্যাপিকা নিযুক্তি দিয়ে যদিওঁ আন্ত:গাঁথনিৰ অভাৱত ডুমডুমা মহাবিদ্যালয়ৰ এটি ছাত্ৰ নিৱাসতেই মহাবিদ্যালয়খনৰ পাঠদান চলি চলাই আহিবলগীয়া হৈছিল। চৰকাৰৰ ৰাজহ বিভাগে ডমডুমাৰ বিচাকুপি বাইপাছৰ দাঁতিত আবণ্টন দিয়া প্ৰায় ৩০ বিঘা ভূমি একাংশ লোকে দখল কৰি মহাবিদ্যালয়খন নিৰ্মাণৰ বাবে এৰি নিদিয়াত চাহ শ্ৰমিকৰ মাজত সংঘাতৰ সূত্ৰপাত হোৱাত গান্ধী মুণ্ডা নামৰ এজন শ্ৰমিকৰ মৃত্যুও ঘটে। বিচাকুপি বাইপাছত পিছলৈ নৰ্থ-ইষ্ট প্লাণ্টেচন এণ্ড কমাৰচিয়েল প্ৰাইভেট লিমিটেড নামৰ ঠিকাদাৰী প্ৰতিষ্ঠানটোৱে মহাবিদ্যালয়খনৰ নিৰ্মাণৰ ঠিকা লাভ কৰে যদিওঁ অজ্ঞাত কাৰণত আধাতে কাম এৰি পলাই যায় কোম্পানীটো। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা বৰ্ষৰ ২ ফেব্ৰুৱাৰীত কোম্পানীটোক কামৰ পৰা টাৰ্মিনেটকৰাৰ কথা উল্লেখ কৰাৰ লগতে ২৭ শতাংশ কাম সম্পূৰ্ণ হোৱা বুলিও জনাইছিল বিধানসভাৰ মজিয়াত বিধায়ক ৰূপেশ গোৱালাৰ এক প্ৰশ্নৰ উত্তৰত। ড° শৰ্মাই পুৰণি নিবিদাখন সংশোধন ঘটাই নতুনকৈ প্ৰাককলন নিবিদা প্ৰস্তুত কৰি নতুন নিবিদা আহবান কৰি এটা বছৰৰ ভিতৰত মহাবিদ্যায়খনৰ স্থায়ী ভূমিত পাঠদান আৰম্ভ কৰিব পৰাকৈ চৰকাৰে চেষ্টা চলাই থকাৰ কথাও উল্লেখ কৰিছিল যদিও আজি এটা বছৰে মহাবিদ্যালয়খনৰ নিৰ্মাণস্থলী বন-জংঘলেৰে ভৰি পৰি এক প্ৰকাৰৰ বনাঞ্চললৈ পৰ্যবসিত হয়। মহাবিদ্যালয়খনৰ স্থায়ী নিৰ্মাণকাৰ্যৰ সন্দৰ্ভত চৰকাৰে কৰি অহা লৰা-ধেমালি সন্দৰ্ভত নিউজ নেক্সট ওৱান কাকতত যোৱা ১০ নৱেম্বৰত মুখ্যমন্ত্ৰীৰ ললিপপ! কেতিয়াকৈ নিৰ্মাণ হৈ উঠিব ডুমডুমা বি আৰ এম চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ স্থায়ী গৃহ শীৰ্ষক বাতৰি প্ৰকাশ পোৱাৰ উপৰি যোৱা ২২ জানুৱাৰীৰ সংখ্যাৰ প্ৰথম পৃষ্ঠাত অসাৰ প্ৰতিপন্ন হ'ল মুখ্যমন্ত্ৰীয়ে ৰাইজক দিয়া প্ৰতিশ্ৰুতি! ডেৰ বছৰ পিছতো নিৰ্মাণ হৈ নুঠিল কলেজ শীৰ্ষক বাতৰি ফটোসহ সবিস্তাৰে প্ৰকাশ পাইছিল। ইয়াৰ পিছতেই চলিত মাহতে মহাবিদ্যালয়খনৰ স্থায়ী ভূমিত নতুন ঠিকাদাৰী প্ৰতিষ্ঠানে কাম আৰম্ভ কৰিব বুলিও জানিব পৰা গৈছে, যাক লৈ সকলোৱে সন্তুষ্টি ব্যক্ত কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই মহাবিদ্যালয়খনৰ আন্ত:গাঁথনিৰ বাবে শেহতীয়াকৈ ২০ লাখ টকাৰ অনুদান আগবঢ়োৱাৰ সন্দৰ্ভতো সকলোৱে গভীৰ সন্তুষ্টি ব্যক্ত কৰাৰ লগতে এইক্ষেত্ৰত অধ্যক্ষ ড° অমৰজিৎ শইকীয়াৰ প্ৰচেষ্টাৰো সকলোৱে শলাগ লৈছে।

# কানৈ বাণিজ্য মহাবিদ্যালয়ত শৈক্ষিক মেলাৰ আয়োজন

**ই-সংবাদ, ডিব্ৰুগড়, ১৪ ফেব্ৰুৱাৰীঃ** ছাত্ৰ-ছাত্ৰী আৰু শিক্ষানুৰাগীৰ বাবে এক উল্লেখযোগ্য পদক্ষেপ হিচাপে ডিব্ৰুগড়ৰ হনুমানবক্স সূৰুযমল কানৈ বাণিজ্য মহাবিদ্যালয় আৰু স্পীয়েৰৰ উদ্যোগত ডিব্ৰুগড়ত প্ৰথমবাৰৰ বাবে শৈক্ষিক মেলা অহা ১৮ আৰু ১৯ ফেব্ৰুৱাৰীত মহাবিদ্যালয়খনৰ চৌহদত অনুষ্ঠিত হ'ব। দুদিনীয়া এই অনুষ্ঠানত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ শিক্ষানুষ্ঠানৰ বৈচিত্ৰ্যপূৰ্ণ পৰিসৰ একত্ৰিত হ'ব শৈক্ষিক মেলা ২০২৫ৰ লক্ষ্য হৈছে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন শৈক্ষিক আৰু কেৰিয়াৰৰ সুযোগসমূহ অন্বেষণ কৰাৰ এক অনন্য মঞ্চ প্ৰদান কৰা। এই মেলাত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা এক বৃজনসংখ্যক বিশ্ববিদ্যালয়, মহাবিদ্যালয় আৰু পেছাদাৰী প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰি বিভিন্ন পাঠ্যক্ৰম, বৃত্তি, আৰু কেৰিয়াৰৰ সম্ভাৱনাৰ বিষয়ে অন্তৰ্দৃষ্টি আগবঢ়াব। এই মেলাই বিভিন্ন শিক্ষানুষ্ঠানৰ প্ৰতিনিধিৰ সৈতে মত বিনিময়, তথ্য সংগ্ৰহ, উচ্চ শিক্ষা প্ৰতিষ্ঠান নিৰ্বাচন কৰাৰ এক সুন্দৰ সুযোগ অংশগ্ৰহণকাৰীসকলক দিব। কেৰিয়াৰ কাউন্সেলিং, নামভৰ্তিৰ পদ্ধতি, আৰু দক্ষতা বিকাশৰ ওপৰত হ'বলগীয়া সভাসমূহো মেলাৰমূল আকৰ্ষণ হ'ব বুলি আশা কৰা হৈছে। অঞ্চলটোৰ এই প্ৰথমটো শৈক্ষিক অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ ছাত্ৰ-ছাত্ৰী, অভিভাৱক, আৰু শিক্ষা অনুৰাগীসকলক আমন্ত্ৰণ জনোৱা হৈছে। অসমৰ ছাত্ৰ-ছাত্ৰীৰ মাজত গুণগত উচ্চ শিক্ষা আৰু কেৰিয়াৰৰ সুযোগৰ প্ৰতি আগ্ৰহ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত আয়োজকসকলে সকলোৱে সহায়-সহযোগিতা আৰু যথেষ্টসংখ্যক অংশগ্ৰহণ আশা কৰিছে। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতি নিশ্চিত কৰিবলৈ বিদ্যালয়-মহাবিদ্যালয়ৰ মুৰব্বীৰ লগতে অভিভাৱকসকললৈ গোহাৰি জনাইছে উদ্যোক্তাসকলে।

# গেলেকীৰ দিপালী ৰাধিকা দুৱৰাৰলৈ সাহিত্যজ্যোতি বঁটা

**ই-সংবাদ, গেলেকী, ১৪ ফেব্ৰুৱাৰীঃ** গেলেকীৰ লাহন গাওঁ নিবাসী বিশিষ্ট লেখিকা, নাহৰগুৰি মধ্য ইংৰাজী বিদ্যালয়ৰ সহঃ শিক্ষয়িত্ৰী, সমাজকৰ্মী, ন-পুখুৰী শাখা সাহিত্য সভাৰ সম্পাদক লগতে গেলেকী প্ৰেছ ক্লাবৰ সদস্যা দিপালী ৰাধিকা দুৱৰালৈ ২০২৪-২৫ বৰ্ষৰ সাহিত্যজ্যোতি বঁটা প্ৰদান কৰা হৈছে। সামাজিক মাধ্যমৰ এক অনুষ্ঠান দিগ্ বলয়ৰ সাহিত্য চ'ৰা, অসমৰ চতুৰ্থ বৰ্ষৰ অধিৱেশনত এই বঁটা প্ৰদান কৰা হয়। বিশ্বনাথ জিলাৰ বৰগাং পাৰুল বিবাহ ভৱনত অনুষ্ঠিত হৈছিল এই অনুষ্ঠান। দীৰ্ঘদিন ধৰি সাহিত্য সৃষ্টিৰ লগতে সমাজৰ বাবে সাহিত্যৰ দিশত আগবঢ়োৱা অৱদানৰ বাবে এই বঁটা প্ৰদান কৰা হৈছে দিপালী ৰাধিকাক। তেওঁৰ প্ৰথমখন কাব্য সংকলন "সোণাৰু হালধীয়া হাঁহি" শিৱসাগৰ জিলাত অনুষ্ঠিত দিগ্ বলয় সাহিত্য চ'ৰাৰ প্ৰথম বৰ্ষ অধিৱেশনৰ যুৱ মঞ্চত উন্মোচন হৈছিল। দ্বিতীয়খন কাব্য সংকলন "দেখনা ডঁৰিয়লি" চাৰিঙত অনুষ্ঠিত শিৱসাগৰ জিলা সাহিত্য সভাত উন্মোচিত হৈছিল। ইয়াৰ উপৰিও "জালিকটা সুৰুঙাৰে" নামৰ কাব্য সংকলন, পত্ৰিকা "পূৱালী" আৰু "নাফুক জান" নামৰ অণুগল্প সংকলন সম্পাদনা কৰিছে দিপালী ৰাধিকা দুৱাৰাই।

# মায়ঙৰ গৰুমাৰাৰ ঘটনা সন্দৰ্ভত জিলা প্ৰশাসনলৈ আমছুৰ স্মাৰক পত্ৰ

## দুষ্ট চক্ৰই সাম্প্ৰদায়িক ৰহণ সানিবলৈ চেষ্টা চলোৱা বুলি দাবী

**ই-সংবাদ, লাহৰীঘাট, ১৪ ফেব্ৰুৱাৰীঃ** মৰিগাঁও জিলাৰ মায়ঙৰ গৰুমাৰা দলনিত সংঘটিত হোৱা ঘটনা সন্দৰ্ভত আমছুৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক মিন্নাতুল ইছলামৰ নেতৃত্বত আজি মৰিগাঁও জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকক স্মাৰক পত্ৰ প্ৰদান কৰা হয়। উল্লেখ্য যে, যোৱা ৯ ফেব্ৰুৱাৰীত মায়ঙৰ গৰুমাৰা দলনিত দুই ফৈদৰ মাজত সংঘটিত হৈছিল এক মাৰপিটৰ ঘটনা। উক্ত ঘটনাক কেন্দ্ৰ কৰি একাংশ দুষ্কৃতিকাৰীয়ে ঘটনাটোক সাম্প্ৰদায়িক ৰহণ সানি মায়ং অঞ্চলৰ সাতামপুৰুষীয়া সম্প্ৰীতি বিনষ্ট কৰিবলৈ অহৰহ চেষ্টা কৰি থকাৰ অভিযোগ উত্থাপন কৰে সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৱে। ঘটনাটোক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলজুৰি এক চেপা উত্তেজনাৰ সৃষ্টি হৈছে। যাৰ পৰিপ্ৰেক্ষিতত অঞ্চলটোৰ সৰ্বসাধাৰণ ৰাইজে ভয়-শংকাৰে দিন কটাবলগীয়া হৈছে। ঘটনা সন্দৰ্ভত উচিত তদন্ত আৰু দোষীক উপযুক্ত শাস্তিৰ লগতে অঞ্চলটোৰ শান্তি-সম্প্ৰীতি অটুট ৰখাৰ বাবে আজি সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক মিন্নাতুল ইছলামৰ লগতে কেন্দ্ৰীয় আৰু মৰিগাঁও জিলা সমিতিৰ বিষয়ববীয়াৰ উপস্থিতিত মৰিগাঁও জিলা আয়ুক্তৰ লগতে আৰক্ষী অধীক্ষকক পৃথকে পৃথকে উল্লিখিত দাবীসমূহ সম্বলিত স্মাৰক পত্ৰ প্ৰদান কৰে। আমছুৰ দাবীসমূহ হ'ল ঘটনাৰ লগত জড়িত ব্যক্তিক চিনাক্ত কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰা, উক্ত ঘটনাৰ লগত জড়িত নথকা আৰু এজাহাৰত উল্লেখ নথকা বৰ্তমানলৈকে আটকাধীন ব্যক্তিক অতি শীঘ্ৰে মোকলাই দিয়া ব্যৱস্থা কৰা, উক্ত ঘটনাৰ পিছৰ পৰা গৰুমাৰা ধলনী পৰা ঝাৰগাঁও বুৰাবুৰি সংযোগী ৰাস্তাত একাংশ লোকে বাধা প্ৰদান কৰাৰ লগতে অহা-যোৱা সময়ত বিভিন্ন উচটনিমূলক মন্তব্য দি আছে। এই ক্ষেত্ৰত অতি সোনকালে ব্যৱস্থা গ্ৰহণ কৰা, অতি সোনকালে শান্তিৰ বাতাবৰণ ঘূৰাই অনাৰ ব্যৱস্থা গ্ৰহণ কৰা, আৰু উভয় সম্প্ৰদায়ৰ মাজত শান্তি-শৃংখলা বজাই ৰাখিবৰ বাবে শান্তি সমিতি গঠন কৰা। ইয়াৰ লগতে অঞ্চলটোৰ ৰাইজক শান্তি-সম্প্ৰতি বজাই ৰাখিবলৈ আমছুৰ নেতৃবৃন্দই আহ্বান জনায়।



ডিফুৰ তাৰালাংছ'ত ৫১ সংখ্যক কাৰ্বি যুৱ মহোৎসৱৰ প্ৰস্তুতি, ফটোঃ ই-সংবাদ, ডিফু

# পলাশবাৰীৰ ৰামপুৰত কংগ্ৰেছৰ চোতালে চোতালে পদাৰ্পণ কাৰ্যসূচী আৰম্ভ

**ই-সংবাদ, মিৰ্জা, ১৪ ফেব্ৰুৱাৰীঃ** পলাশবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত উপৰহালীস্থিত ৰামপুৰ ব্লক কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত যোৱা ১২ ফেব্ৰুৱাৰী, বুধবাৰে এখন আলোচনা সভা আয়োজন কৰা হয়। এই সভাত সভাপতিত্ব কৰে ৰামপুৰ ব্লক কংগ্ৰেছৰ সভাপতি মাখন দাসে। এই সভাত উপস্থিত থাকে পলাশবাৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক মোহন বসুমতাৰী, কামৰূপ জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক বিপ্লৱ কুমাৰ তালুকদাৰ, অ' বি চি মৰ্চাৰ কামৰূপ জিলা সমিতিৰ সভাপতি তৰুণ দাস, অনুসূচিত জনজাতি কোষৰ সভাপতি উমা ৰাভা, সম্পাদক মুকুট কলিতা, ৰিংকু দাসকে ধৰি কংগ্ৰেছৰ বিষয়ববীয়াসকল। উক্ত সভাত বিশেষভাৱে আগন্তুক পঞ্চায়ত আৰু ৰাভা হাছং নিৰ্বাচন সন্দৰ্ভত আলোচনা কৰা হয়। এই সভাতে অসম প্ৰদেশ কংগ্ৰেছৰ চোতালে-চোতালে কংগ্ৰেছ কৰ্মীৰ পদাৰ্পণ শীৰ্ষক কাৰ্যসূচীৰ আৰম্ভ কৰা হয়। এই কাৰ্যসূচী আগন্তুক পঞ্চায়ত, ৰাভা হাছং আৰু বিধানসভাৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আৰম্ভণি কৰা হয়। য'ত কংগ্ৰেছ কৰ্মীসকলে ৰাইজৰ চোতালে-চোতালে গৈ কংগ্ৰেছ প্ৰাৰ্থীক ভোট দিয়াৰ বাবে সজাগ কৰিব। আনহাতে, এই সভাতে আগন্তুক পঞ্চায়ত আৰু ৰাভা হাছং নিৰ্বাচনত প্ৰাৰ্থী নিৰ্বাচনৰ ওপৰতো বিষোদভাৱে আলোচনা হয়। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ এলেকা কামৰূপ আৰু গোৱালপাৰা এইবাৰ কংগ্ৰেছ দলে দখল কৰিব বুলি দৃঢ় মন্তব্য আগবঢ়ায় অনুসূচিত জনজাতি কোষৰ সভাপতি উমা ৰাভাই। উল্লিখিত এই সভাত পলাশবাৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক মোহন বসুমতাৰীয়ে মন্তব্য কৰে যে কংগ্ৰেছ দলত একতাৰ অভাৱ হৈছে, কংগ্ৰেছ কৰ্মীসকলে সমিলমিলেৰে ঐক্যবদ্ধ হৈ কাম কৰিলেহে কংগ্ৰেছ দল আগবাঢ়িব পাৰিব। বিজেপি চৰকাৰে জনজাতিসকলক ভূমিগত অধিকাৰৰ পৰা বঞ্চিত কৰিছে কংগ্ৰেছ চৰকাৰৰ দিনত জনজাতীয় এলেকাত জনজাতিসকলৰ ভূমি সংৰক্ষণৰ ব্যৱস্থা আছিল, কিন্তু হিমন্ত বিশ্ব শৰ্মাৰ শাসকীয় চৰকাৰে অৰ্ডিনেট জাৰি কৰি জনজাতিসকলক ভূমি অধিকাৰৰ পৰা বঞ্চিত কৰি সংৰক্ষিত ভূমি অসংৰক্ষিত কৰিছে। লগতে আগন্তুক ৰাভা হাছং আৰু পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছ দলে বিপুল ভোটত জয়যুক্ত হ'ব বুলি বিশেষ মন্তব্য কৰে।

## দুৰ্ঘটনাক লৈ সংঘাত

# বৰহুজত চাৰি লাখ টকীয়া বাইকত দাবে আক্ৰমণ!

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৪ ফেব্ৰুৱাৰীঃ** যোৰহাটৰ পুলিবৰ থানাৰ এলেকাৰ বৰহুজৰ আমতলত ৰাষ্ট্ৰীয় পথতে এজন যুৱকে এখন ৪ লাখ টকীয়া মটৰচাইকেল দাবে ঘপিয়াই ক্ষতিগ্ৰস্ত কৰে। চাৰিজন যুৱকে আক্ৰমণ কৰাত মটৰচাইকেলৰ গৰাকীয়ে কৰিলে পলায়ন। ঘটনাৰ বিৱৰণী মতে, ১২ ফেব্ৰুৱাৰীত কাজিৰঙা বিশ্ববিদ্যালয়ৰ সমীপত থকা নিজা ফিচাৰীৰ পৰা পুষ্পেন্দ্ৰ হাজৰিকাৰই পত্নীৰ সৈতে মটৰচাইকেলেৰে ঘৰলৈ ৰাষ্ট্ৰীয় পথেৰে আহি থাকোঁতে বিপৰীত ফালৰ পৰা তীব্ৰ বেগত যোৱা নম্বৰ প্লেটবিহীন মটৰচাইকেলখনেৰে কৃষ্ণ শইকীয়াই খুন্দিওৱাত পুষ্পেন্দ্ৰ হাজৰিকাৰ পত্নী আঘাতপ্ৰাপ্ত হয়। তেওঁক চিকিৎসালয়লৈ নিয়া হয়। আজি পুষ্পেন্দ্ৰ হাজৰিকাৰ পুত্ৰই এ এছ-০৩ এ এম-৩৭৬০ নম্বৰৰ মটৰচাইকেলখন লৈ ৰাষ্ট্ৰীয় পথেৰে আহি থাকোঁতে কৃষ্ণ শইকীয়াৰ লগতে দুই ভাতৃ পঞ্চ শইকীয়া আৰু টেঙা শইকীয়াই বৰহুজৰ আমতলত আগ ভেটি ধৰি দাৱে ঘপিয়াবলৈ ধৰে। চালকজনে প্ৰাণ লৈ পলায়ন কৰে। মটৰচাইকেলখনৰ লাইট ভঙাৰ লগতে টেংকি ঘপিয়াই ক্ষতিগ্ৰস্ত কৰে। পুষ্পেন্দ্ৰ হাজৰিকাই পুলিবৰ থানাৰ আৰক্ষীক এজাহাৰ দিয়ে। এজাহাৰৰ ভিত্তিত আৰক্ষী উপস্থিত হৈ বাইকখন থানালৈ লৈ যোৱাৰ লগতে ঘটনাৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে, ভুৱন শইকীয়াৰ তিনি পুত্ৰই দীৰ্ঘদিনৰে পৰাই অঞ্চলটোত সন্ত্ৰাস সৃষ্টি কৰি আহিছে। এটা পৰিয়ালৰ সৈতে সংঘাত হওঁতে এজন পুত্ৰৰ মৃত্যু হোৱাৰ উপৰি পৰিয়ালটোৰ লোকসকলে আৰক্ষীকো আক্ৰমণ কৰিছিল। ফলত আৰক্ষীয়ে এলেকাটো আৱদ্ধ কৰি ৰাখিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছিল। বিভিন্ন সময়ত পৰিয়ালটোৰ লোকসকলে হাই-কাজিয়া কৰি ভিন্নজনক এনেকৈ হাৰাশাস্তি কৰি আহিছে।

# তামুলপুৰত যুৱ সংসদ কাৰ্যসূচীৰ প্ৰস্তুতি

**ই-সংবাদ, তামুলপুৰ, ১৪ ফেব্ৰুৱাৰীঃ** তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত ১৮ ফেব্ৰুৱাৰীত তামুলপুৰ জিলা সদৰত থকা তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত যুৱ সংসদ কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। উক্ত দিনা পুৱা ৯ বজাৰ পৰা আৰম্ভ হ'বলগীয়া কাৰ্যসূচীত উপস্থিত থাকিব অসম লোক সেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ আই এ এছ বিষয়া ভাৰত ভূষণ দেৱ চৌধুৰী। তামুলপুৰ জিলাৰ বিভিন্ন বিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া উক্ত কাৰ্যসূচীত তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী, বিটিআৰৰ এমচিএলএ হেমন্ত কুমাৰ ৰাভা, বিজিত গৌৰা নাৰ্জাৰীসহ কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকিব।

# আমগুৰিৰ বৰুৱাআলিত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ নিৰ্মাণত ব্যাপক অনিয়মৰ অভিযোগ

## মুখ্যমন্ত্ৰীৰ নিৰ্দেশনাকো কেৰেপ নকৰে ঠিকাদাৰ সন্তোষ কৰ্মকাৰে!

**ই-সংবাদ, আমগুৰি, ১৪ ফেব্ৰুৱাৰীঃ** যি সময়ত বিজেপি নেতৃত্বাধীন চৰকাৰৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দৰিদ্ৰ জনসাধাৰণৰ বাবে বিভিন্ন ধৰণৰ অভিলাষী আঁচনি ৰূপায়ণৰ জৰিয়তে উপকৃত কৰাৰ প্ৰয়াস কৰিছে। তেনে সময়তে সেই আঁচনিসমূহ লাভ কৰা হিতাধিকাৰীসকলক বিভিন্ন প্ৰলোভনেৰে একাংশ দালাল ৰূপী ঠিকাদাৰে লুণ্ঠন চলোৱাত নামি পৰিছে। প্ৰাপ্ত অভিযোগ অনুসৰি আমগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত বৰুৱা আলি পঞ্চায়তৰ নামতি বঙালী গাঁৱৰ লক্ষী মুণ্ডা নামৰ মহিলাগৰাকীয়ে প্ৰায় দুবছৰৰ পূৰ্বে প্ৰধানমন্ত্ৰী আৱাস গৃহ যোজনাৰ অধীনত এটা গৃহ পাবলৈ সক্ষম হৈছিল। কিন্তু সহজ সৰল পৰিয়ালটোক চলে বলেৰে স্থানীয় ঠিকাদাৰ সন্তোষ কৰ্মকাৰে একাউণ্টৰ ধন নিজৰ হাতলৈ নি গৃহটো সুন্দৰকৈ নিৰ্মাণ কৰি দিয়াৰ আশ্বাস দিয়ে। দৰিদ্ৰ পৰিয়ালটোৱেও সন্তোষ কৰ্মকাৰক নিজৰ সপোনৰ গৃহটো নিৰ্মাণ কৰি দিবলৈ দিয়ে। দালাল ৰূপী সন্তোষ কৰ্মকাৰে দৰিদ্ৰ পৰিয়ালটোৰ সৰলতাৰ সুযোগ গ্ৰহণ কৰি ব্যাপক দুৰ্নীতিৰে গৃহটো নিৰ্মাণৰ কাম আৰম্ভ কৰে। গৃহটো খুঁটাসমূহত তিনিডালকৈ লোহা, অতি নিম্নমানৰ ইটাৰ লগতে আন সামগ্ৰীসমূহো নিম্নমানৰ ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী পৰিয়ালটোৱে। এই সন্দৰ্ভত পৰিয়ালটোৱে ন্যায় বিচাৰি পঞ্চায়তৰ কাষ চাপিছিল যদিও কোনো ধৰণৰ সুফল লাভ নকৰিলে। ফলত দৰিদ্ৰ পৰিয়ালটোৱে উপায়হীন হৈ "অসম চাহ শ্ৰমিক মুক্তি সংগ্ৰাম সমিতি"ৰ কাষ চাপে। ইতিমধ্যে, সংগঠনটোৰ শিৱসাগৰ জিলাৰ কাৰ্যকৰী সভাপতি "অভিনাশ তন্থা আৰু সম্পাদক কৰম সিং মুণ্ডাই সন্তোষ কৰ্মকাৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ লগতে গৃহটো সঠিক ৰূপত নিৰ্মাণৰ দাবী জনাই জিলা আয়ুক্তলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰিছে।

---

### বিধ্বস্ত হৈ পৰিছে বাট-পথ, প্ৰশাসনক ব্যৱস্থা গ্ৰহণৰ দাবী অতিষ্ঠ ৰাইজৰ

# নগাঁৱৰ পশ্চিমাঞ্চলত মাটি কঢ়িওৱা ডাম্পাৰৰ দৌৰাত্ম্য

**ই-সংবাদ, বেবেজীয়া, ১৪ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ পশ্চিমাঞ্চলত সম্প্ৰতি বৃদ্ধি পোৱা মাটি কঢ়িওৱা ডাম্পাৰৰ চূড়ান্ত অতপালিয়ে গঞাৰাইজক অতিষ্ঠ কৰি তুলিছে। পৰিবহণ, বন বিভাগ তথা জিলা প্ৰশাসনৰ ৰহস্যজনক নিৰবতাৰ বাবেই মাটি কঢ়িওৱা ডাম্পাৰৰ দৌৰাত্ম্য ইমানেই বৃদ্ধি পাইছে যে গঞাৰাইজে প্ৰতিক্ষণতে অস্বস্তিকৰ পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়াত পৰিছে। জানিব পৰা মতে, জিলাখনৰ চকলাঘাট, চমুৱাগাঁও, কোচৰগাঁও, কুৰুৱাবাহী, ব্ৰাহ্মণগাঁও, বৰডুবীয়া, সোনাইপাৰ, কাছমাৰী, ৰাইদঙীয়া আদিত নিতৌ পুৱাৰে পৰা নিশালৈকে এই মাটি কঢ়িওৱা ডাম্পাৰবোৰ নিৰিয়ে চলাচল কৰি আহিছে। ফলত এনেদৰে সদায় অহৰহ মাটি কঢ়িওৱা ডাম্পাৰবোৰ অহা-যোৱা কৰি থকাৰ বাবেই বাট-পথবোৰ বিধ্বস্ত হৈ পৰাৰ লগতে উক্ত গ্ৰামাঞ্চলবোৰত ধূলিৰ প্ৰকোপ অত্যধিক বৃদ্ধি পাইছে। উক্ত গ্ৰামাঞ্চলবোৰৰ পৰিবেশ বৰ্তমান এনে হৈছে যে এই বাহনবোৰ কোনো পথেৰে গ'লে ধূলিৰ প্ৰকোপত পথৰ দুয়োকাষে বহু সময়লৈ চকুৰে একোকে মনিব নোৱাৰা হৈ পৰে। আনকি, মাটি কঢ়িওৱা ডাম্পাৰবোৰে চৌপাশ ধূলিময় কৰি তোলাৰ বাবেই শেহতীয়াভাৱে উক্ত গ্ৰামাঞ্চলবোৰত শিশুৰ পৰা বৃদ্ধলৈকে বহুলোক বিভিন্ন ৰোগত আক্ৰান্ত হ'বলগীয়া হৈছে। জানিব পৰা মতে, এই মাটি কঢ়িওৱা বাহনবোৰৰ পৰা নিৰ্গত ধোঁৱা আৰু ধূলিৰ সংমিশ্ৰণে গঞাৰাইজৰ দেহত চৰ্দি, জ্বৰ, কাহ, ব্ৰংকাইটিচ আদি শ্বাসজনিত ৰোগে আক্ৰমণ কৰাৰ লগতে চকু, কান, নাকৰ বিভিন্ন ৰোগত আক্ৰান্ত হোৱাৰ সম্ভাৱনা পুৰামাত্ৰাই বৃদ্ধি পাইছে। তদুপৰি এই বাহনবোৰ তীব্ৰ বেগত চলাচল কৰি অহাত সকলো ধৰণৰ পথচাৰিৰ বাবে পথবোৰ বিপদসংকুল হৈ পৰিছে। অতি কম বয়সীয়া চালকে মইমতালিৰে ডাম্পাৰবোৰ চলাই অহাত ইয়াৰ পূৰ্বে কেইবাটাও দুৰ্ঘটনা সংঘটিত হৈছে। আনকি ঘাতকৰূপী এনে ডাম্পাৰৰ খুন্দাত নগাঁৱৰ পশ্চিমাঞ্চলত বিগত সময়ছোৱাত কেইবাজনো লোকৰ প্ৰাণহানিও হৈছে। কিন্তু মাটি কঢ়িওৱা এই ডাম্পাৰৰ অতপালি বন্ধ কৰিবৰ বাবে গঞাৰাইজে জিলা প্ৰশাসনক বাৰম্বাৰ অনুৰুধ জনাই অহাৰ পিছতো এইবোৰ নিয়ন্ত্ৰণ নোহোৱাত ক্ষোভিত হৈ পৰিছে অঞ্চলবাসী গঞাৰাইজ। সেয়ে নগাঁৱৰ পশ্চিমাঞ্চলত অব্যাহত থকা ডাম্পাৰৰ চূড়ান্ত দৌৰাত্ম্য ৰোধ কৰাৰ বাবে জিলা প্ৰশাসন তথা স্থানীয় আৰক্ষীক শীঘ্ৰে কাৰ্যকৰী পদক্ষেপ গ্ৰহণৰ দাবী জনাইছে ৰাইজে।

---

# কামৰূপ জিলাত চৰকাৰীভাৱে সংৰক্ষিত চৰণীয়া পথাৰ সংৰক্ষণৰ উদ্দেশ্যে নিষেধাজ্ঞা জাৰি

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১৪ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলাৰ জিলা দণ্ডাধীশ দেৱ কুমাৰ মিশ্ৰই ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা, ২০২৩ ৰ ১৬৩ নং ধাৰাৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগেৰে সমগ্ৰ কামৰূপ জিলাত প্ৰযোজ্য হোৱাকৈ চৰকাৰীভাৱে সংৰক্ষিত গৰু চৰণীয়া পথাৰসমূহত অনুষ্ঠান বা ধৰ্মীয় অনুষ্ঠান অনুষ্ঠিত কৰা, নিৰ্মাণকাৰ্য কৰাকে ধৰি যিকোনো প্ৰকাৰৰ সমূহীয়া কাম-কাজত ব্যৱহাৰৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰিছে। লগতে উক্ত চৰণীয়া পথাৰসমূহ বেদখল কৰা, তাত অকৰ্তৃত্বশীল নিৰ্মাণ বা ভূমিৰ ব্যৱহাৰত পৰিৱৰ্তন কৰাতো কঠোৰভাৱে নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই নিৰ্দিষ্ট পথাৰসমূহ স্থানীয় লোকে তেওঁলোকৰ গৰু-ম'হ চৰোৱাৰ বাবে ব্যৱহাৰ কৰিব পাৰিব যদিও চৰণীয়া পথাৰসমূহৰ বহনক্ষম ব্যৱহাৰৰ বাবে নিয়মাৱলী বনাব লাগিব। উল্লেখ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ে ২০২১ চনৰ ২৬ মাৰ্চত ১৬/২০২১ নম্বৰৰ এক ৰাজহুৱা স্বাৰ্থজড়িত আবেদনত কামৰূপ জিলাৰ চৰকাৰী সংৰক্ষিত গৰু চৰণীয়া পথাৰসমূহ সংৰক্ষণৰ বাবে নিৰ্দেশ প্ৰদান কৰাৰ প্ৰতি লক্ষ্য ৰাখি আৰু এনে পথাৰ অকৰ্তৃত্বশীলভাৱে সমূহীয়া কাম-কাজত ব্যৱহাৰ হৈ অহা তথা বেদখল হোৱাৰ প্ৰতি লক্ষ্য ৰাখি এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এনেধৰণৰ গতি-বিধিয়ে পৰিৱেশৰ অৱনতি ঘটোৱাৰ লগতে স্থানীয় লোকসকলক তেওঁলোকৰ এই গুৰুত্বপূৰ্ণ সম্পদসমূহৰ ব্যৱহাৰৰ অধিকাৰৰ পৰা বঞ্চিত কৰা আৰু ইয়ে গ্ৰাম্য অৰ্থনীতি আৰু পশুপালনত ব্যাঘাত জন্মোৱাও দেখা গৈছে বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে। লগতে এনে চৰণীয়া পথাৰসমূহৰ ৰক্ষণাবেক্ষণ অঞ্চলটোৰ পাৰিপাৰ্শ্বিক ভাৰসাম্য আৰু কৃষি অৰ্থনীতিৰ বাবে অতিকৈ গুৰুত্বপূৰ্ণ হোৱাৰ প্ৰতি লক্ষ্য ৰাখি এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে বুলিও নিৰ্দেশটোত উল্লেখ আছে। এই নিৰ্দেশৰ উলংঘা কৰিলে বি এন এছৰ ২২৩ নং ধাৰা বা আইনৰ আন যিকোনো প্ৰাসংগিক বিধানৰ অধীনত শাস্তি বিহা হ'ব।

# আগমনিত আৰক্ষীৰ তালাচীত বিলাসীবাহনৰ পৰা গো-ধন উদ্ধাৰ

## গো-মাফিয়াসহ চাৰিজনক জে'ললৈ প্ৰেৰণ

**ই-সংবাদ, গোলকগঞ্জ, ১৪ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ সন্মুখৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত কালি সন্ধিয়া আৰক্ষীয়ে এখন বিলাসী বাহনত তিনিটা চোৰাং গৰুসহ দুই সৰবৰাহকাৰীৰ লগতে দুই কুখ্যাত গো-মাফিয়াক আটক কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, সন্ধিয়া গোপন খবৰৰ ভিত্তিত আগমনি থানাৰ সন্মুখৰ ১৭ ৰাষ্ট্ৰীয় ঘাইপথত আৰক্ষীয়ে তালাচী অভিযান আৰম্ভ কৰে। আগমনি আৰক্ষীৰ তালাচীত পশ্চিমবংগৰপৰা গৌৰীপুৰ অভিমুখী AS 16 H 0551 নম্বৰৰ ৰিটচ বাহনখন সন্দেহবশতঃ তালাচী চলোৱাত মুখ-ভৰি বন্ধা তিনিটা চোৰাং গৰু উদ্ধাৰ হয়। আৰক্ষীয়ে বাহনখনৰ পৰা সৰবৰাহকাৰী দুজনক আটক কৰে। আটকাধীন লোক দুজন তামাৰহাট থানাৰ পলাশকান্দিৰ জাহাঙ্গীৰ আলম আৰু আনিচুৰ ৰহমান। আৰক্ষীৰ সোধা-পোছাত চোৰাং গৰুকেইটা ভাৰত-বাংলাদেশ সীমান্তৰ ধৰ্মশালা অভিমুখে নি থকা বুলি জানিবলৈ দিয়াৰ লগতে আৰক্ষীৰ মূৰৰ কামোৰণিৰ সৃষ্টি কৰা কুখ্যাত গো-মাফিয়া ফাৰহাদ আৰু মোফাজ্জল এই গৰু চুৰি কাণ্ডত জড়িত বুলি আৰক্ষীৰ আগত স্বীকাৰ কৰে। তেওঁলোকৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে ক্ষিপ্ৰতাৰে অভিযান চলাই ধৰ্মশালাৰ পৰা মতিৰচৰৰ ফাৰহাদ আলী আৰু কাদানচিপাৰাৰ মোফাজ্জল শেখক আটক কৰে। কালি নিশা দুজনক আটক কৰাৰ পিছতে অসম-পশ্চিমবংগ সীমান্তত গৰুৰ চোৰাং চক্ৰৰ লগত জড়িত আন বহু অপৰাধীৰ নাম প্ৰকাশ পোৱাৰ শংকাত ভীতিগ্ৰস্ত হৈ পৰিছে চক্ৰটো। আটক চোৰকেইটাক মুকলি কৰাৰ বাবে কালি নিশাৰেপৰা চক্ৰটোৱে আপ্ৰাণ চেষ্টা চলায় যদিও আৰক্ষীয়ে আদালতত হাজিৰ কৰি আটাইকেইজনক জে'ললৈ প্ৰেৰণ কৰে। এই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিলে অসম-পশ্চিমবংগ সীমান্তৰ আন বহুকেইজন অপৰাধী জালত পৰাৰ সম্ভাৱনা প্ৰকাশ কৰিছে স্থানীয় ৰাইজে।



নতুন দিল্লীত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালক প্ৰধানৰ দায়িত্ব গ্ৰহণ কৰা জি পি সিঙক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ

# কলাগাছিয়াৰ বালিকুৰি মধ্যচৰ এম.ই. মাদ্ৰাছাৰ শিক্ষকক বিদায় সম্বৰ্ধনা

**ই-সংবাদ কলগাছিয়া, কলগাছিয়া, ১৪ ফেব্ৰুৱাৰীঃ** বৰপেটা জিলাৰ মন্দিয়া প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত বালিকুৰি মধ্যচৰ এম ই মাদ্ৰাছাৰ দুগৰাকী সহকাৰী শিক্ষক আব্দুল লতিফ আৰু শিক্ষক সুৰুজ আলীয়ে তেওঁলোকৰ চাকৰি জীৱনৰপৰা অলপতে অৱসৰ গ্ৰহণ কৰে। সেই উদ্দেশ্যে আগত ৰাখি আজি বৃহত্তৰ বালিকুৰি অঞ্চলৰ সৰ্বস্তৰৰ জনসাধাৰণ, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলক লৈ এখন গাম্ভীৰ্য্যপূৰ্ণ বিদায়ী সভা অনুষ্ঠিত হয়। সভাৰ সভাপতিৰ আসন অলংকৃত কৰে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি জহুৰ উদ্দিনে। অৱসৰী শিক্ষকদ্বয়ক বিদ্যালয়ৰ তৰফৰপৰা বিভিন্ন সামগ্ৰীৰে সম্বৰ্ধনা জনোৱা হয়। মন্দিয়া প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি তথা ১৭৩৫ নং বালিকুৰি পশ্চিম কলণী পল্লী মণ্ডল প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শিকদাৰ খইম উদ্দিনৰ দুখন ধৰ্মীয় গ্ৰন্থৰে অৱসৰী শিক্ষকদ্বয়ক সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত বালিকুৰি জাতীয় বিদ্যালয়ৰ অধ্যক্ষ আবু বক্কাৰ ছিদ্দিক, মন্দিয়া প্ৰাথমিক শিক্ষক সন্মিলণীৰ সভাপতি শিকদাৰ খইম উদ্দিন আহমেদ, মন্দিয়া প্ৰাথমিক শিক্ষা খণ্ডৰ চি ডব্লিও এছৰ দায়িত্বত থকা নীলাম্বৰ দাস, ১৬৮৬ নং পশ্চিম বালিকুৰি জনতা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আমিৰ হোছেইন, প্ৰধান শিক্ষক ফয়েজ উদ্দিন আহমেদ, সহকাৰী শিক্ষক আব্দুল আজিজ, স্থানীয় শিক্ষিত যুৱক মতিয়াৰ ৰহমানকে আদি কৰি বহুকেইজন ব্যক্তিয়ে গঠনমূলক সাৰুৱা ভাষণ আগবঢ়ায়। অৱসৰী শিক্ষক দুজনৰ বিদায় ক্ষণত সভাস্থলীত এক শোকাকুল পৰিৱেশে বিৰাজ কৰা পৰিলক্ষিত হয়। সভাত উপস্থিত থকা বিভিন্ন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী অভিভাৱকৰ লগতে স্থানীয় সমাজসচেতন লোকে সকলোৱে শিক্ষকদ্বয়ৰ দীৰ্ঘায়ু কামনা কৰে। অনাগত দিনত তেওঁলোকে সমাজৰ বাবে কাম কৰিবলৈ নতুন এক জীৱন লাভ কৰা বুলি বিভিন্নজনে মন্তব্য কৰে।

# বাটমাৰীৰ সৰবৰহী ধৰ্মপ্ৰাণা মহিলা শ্বমলা খাতুনৰ বিয়োগ

**ই-সংবাদ, বেবেজীয়া, ১৪ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত বাটমাৰী নিবাসী বিশিষ্ট সমাজকৰ্মী প্ৰয়াত হাজী ইমান আলীৰ সহধৰ্মিনী তথা সৰবৰহী ধৰ্মপ্ৰাণা মহিলা শ্বমলা খাতুনৰ শুকুৰবাৰে বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭২ বছৰ। স্থানীয় বিভিন্ন ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত থকা শ্বমলা খাতুনৰ বিয়োগত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। সৎ, অমায়িক আৰু মৰমিয়াল স্বভাৱৰ শ্বমলা খাতুনৰ মৃত্যুত নতুন অসম ছাত্ৰ সন্মিলন চমুকৈ 'নাচা', টুকটুকী প্ৰেছ ক্লাবকে ধৰি স্থানীয় বহুকেইটা দল-সংগঠনৰ লগতে ব্যক্তি বিশেষে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে। মৃত্যুৰ সময়ত শ্বমলা খাতুনে পাঁচজন পুত্ৰ আৰু চাৰি গৰাকী কন্যা সন্তানৰ লগতে বহু আত্মীয়-স্বজনক ইহ সংসাৰত এৰি থৈ যায়। ইফালে, বিয়লি ৪.৩০ বজাত তেওঁৰ নিজা বাসগৃহত ধুপগুৰি উচমানীয়া জুনিয়ৰ কলেজৰ আৰবী শিক্ষক আবুল বাছাৰৰ ইমামতিত্বত দুই শতাধিক লোকৰ উপস্থিতিত জানাজা সম্পন্ন কৰা হয়।

# বাইহাটা মহিলা সমিতিৰ মাঘী পূৰ্ণিমা উদযাপন

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১৪ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলাৰ বাইহাটা দুৰ্গাপূজা মন্দিৰ প্ৰাঙ্গণত বিগত বছৰবোৰৰ দৰে এইবেলিও বাইহাটা মহিলা সমিতিৰ উদ্যোগত মাঘী পূৰ্ণিমা উদযাপন কৰা হয়। উদযাপন সমিতিৰ সভানেত্ৰী কল্পনা শইকীয়া আৰু সম্পাদিকা ভৱানী মালীয়ে অৱগত কৰামতে, স্থানীয় ৰাইজৰ সহযোগত দিনজোৰা বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে যোৱা ১২ ফেব্ৰুৱাৰীত অনুষ্ঠিত মাঘী পূৰ্ণিমা উদযাপনৰ দিনটোত পুৱা পৰিৱেশ নিকাকৰণ, বন্তি প্ৰজ্জ্বলন, শৰাই, নৈবেদ্য স্থাপন, বিষ্ণু হোম, বাইহাটা গীতাৰ্থ সমাজৰদ্বাৰা ভাগৱত পাঠ, নিৰ্মালী গ্ৰহণ, আলোচনা-চক্ৰ, নাগাৰা নাম প্ৰদৰ্শন আদি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অনুষ্ঠানটো সফল ৰূপায়ণৰ বাবে ৰাইজক কৃতজ্ঞতা জ্ঞাপন কৰিছে সমিতিয়ে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES

# ৰঙিয়াত চাউলিন কুংফু উচু প্ৰশিক্ষণ কেন্দ্ৰ মুকলি

**ই-সংবাদ, ৰঙিয়া, ১৪ ফেব্ৰুৱাৰীঃ** চাউলিন কুংফু উচু সমৰ কলাৰ আন্তঃৰাষ্ট্ৰীয় মানৰ প্ৰশিক্ষণ প্ৰদানৰ লক্ষ্যৰে ৰঙিয়াৰ প্ৰগতি সোণালী ভৱনত এটি প্ৰশিক্ষণ কেন্দ্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। কালি কেন্দ্ৰটি ফিটা কাটি মুকলি কৰে ৰঙিয়া মহকুমা আৰক্ষী বিষয়া বিশ্বজিৎ ডেকাই। সাংস্কৃতিক কৰ্মী জ্যোতিৰ্ময় কলিতাই আঁতধৰা উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে ৰঙিয়া পৌৰ সভাৰ উপ-পৌৰপতি বিদ্যুৎ ডেকা, আৰিমত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ নয়নজ্যোতি দাস, সমাজকৰ্মী কৰুণা শৰ্মা, মূৰতাজৰ ৰহমান, ৰঙিয়া স্বস্তী হাস্পতালৰ প্ৰবন্ধক কৰেন্দ্ৰ কলিতা, হিলাল আহমেদ প্ৰমুখ্যে কে'বাগৰাকী বিশিষ্ট ব্যক্তি।কেন্দ্ৰটোত প্ৰশিক্ষকৰূপে অংশগ্ৰহণ কৰিব আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ তথা প্ৰশিক্ষক মবিদুল ইছলামে।

## ৰঙিয়াত প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতা

**ই-সংবাদ, ৰঙিয়া, ১৪ ফেব্ৰুৱাৰীঃ** ৰঙিয়াৰ বৰদল ক্ৰিকেট ক্লাবৰ সৌজন্যত ধৰ্মেন্দ্ৰ নাথ সোঁৱৰণী প্ৰাইজমানি টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতা আজিৰে পৰা অনুষ্ঠিত হৈছে। তিনিদিনীয়াকৈ স্থানীয় গোসাঁই শৌলমাৰী খেল পথাৰত অনুষ্ঠিত হ'ব উক্ত প্ৰতিযোগিতা। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ প্ৰতিযোগী দললৈ প্ৰথম পুৰস্কাৰ ট্ৰফীসহ ১০ হাজাৰ আৰু দ্বিতীয় পুৰস্কাৰ ৫ হাজাৰ টকা আগবঢ়োৱা হ'ব। অংশগ্ৰহণ কৰাৰ বাবে আগ্ৰহী দলসমূহে ৯১২৭১৯৬৯৯৫ অথবা ৯৯৫৭০৯৬৫৫৮ ফোন নম্বৰ যোগে যোগাযোগ কৰিব পাৰিব।



ডব্লিউপিএলত গুজৰাট জায়েন্টৰ উইকেট দখলৰ পিছত আৰচিবিৰ প্ৰেমা ৰাউটৰ উল্লাস



কৰাচীত অনুষ্ঠিত হৈ থকা ত্ৰিদেশীয় শৃংখলাত পাকিস্তানৰ বিৰুদ্ধে ষ্টেপ আউট হিট নিউজিলেণ্ডৰ কেন উইলিয়ামছনৰ

**নগাঁৱত অসম ক্ৰিকেট সন্থাৰ সপ্তম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ**

# প্ৰবাহ গোষ্ঠীৰ বিৰুদ্ধে মাণ্ডলিক পৰ্যায়লৈ যোগ্যতা ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১৪ ফেব্ৰুৱাৰীঃ** নগাঁও ক্ৰীড়া সংস্থাৰ নুৰুল আমিন ষ্টেডিয়ামত আজি সফলতাৰে সামৰণি পৰা অসম ক্ৰিকেট সন্থাৰ সপ্তম অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেটৰ প্ৰাৰম্ভিক ৰাউণ্ডৰ নগাঁৱৰ ফাইনেলত ডিফেণ্ডিং চেম্পিয়ন ষ্টাৰ স্প'ৰ্টিং ক্লাবে প্ৰবাহ গোষ্ঠীক ৮ উইকেটত হৰুৱাই পুনৰ চূড়ান্ত বিজয়ী খিতাপ অৰ্জনৰে মাণ্ডলিক পৰ্যায়ত খেলাৰ যোগ্যতা লাভ কৰিছে। এই খিতাপ দখলৰে ষ্টাৰ স্প'ৰ্টিং ক্লাবে নগাঁও ক্ৰীড়া সংস্থাৰ এ এন কিড'ৱাই ট্ৰফী (ক্লাষ্টাৰ-১)ও পুনৰ হস্তগত কৰিলে। আজিৰ খেলখনত প্ৰবাহ গোষ্ঠীয়ে টছ জিকি প্ৰথমে বেট ধৰি অমৰজিত চাহুৰ-২২ আৰু মানস ভাৱালৰ অপৰাজিত-১৫ ৰাণৰ উল্লেখনীয় বৰঙণি স্বত্বেও বিপক্ষৰ বিধ্বংসী বলিঙৰ প্ৰকোপত ২৪.১ অভাৰতে সকলোকেইটা উইকেট হেৰুৱাই ৭০ ৰাণহে সংগ্ৰহ কৰে। বলিঙত ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ হৈ অক্ষয় কুমাৰ ডেকাই চাৰিটা, প্ৰিয়ম বৰাই তিনিটা, ধৰণীধৰ ৰাভাই দুটা আৰু ৰোচন আলমে এটা উইকেট পায়। প্ৰত্যুত্তৰত ষ্টাৰ স্প'ৰ্টিং ক্লাব দলটোৱে অধিনায়ক দেৱজিৎ দাসৰ-৩২, দেৱজিত বৰুৱাৰ অপৰাজিত-১৯ আৰু বিশ্বজিত চমুৱাৰ অপৰাজিত-১৫ ৰাণৰ উল্লেখীয় অৱদানৰে ১৩.২ অভাৰতে দুটা উইকেটৰ বিনিময়ত ৭৪ ৰাণ সংগ্ৰহৰে বিজয়লক্ষ্য অতিক্ৰম কৰে। বলিঙত প্ৰবাহ গোষ্ঠীৰহৈ মানস ভাৱাল আৰু অমৰজিত চাহুয়ে এটাকৈ উইকেট পায়। শংকু ঘোষ আৰু দেৱৰ্ষি শৰ্মা আম্পায়াৰৰূপে থকা খেলখনত ষ্টাৰ স্প'ৰ্টিঙৰ অক্ষয় কুমাৰ ডেকাই প্লেয়াৰ অব দ্য মেচৰ বঁটা পোৱাৰ বিপৰীতে ৰেডিয়েণ্ট স্প'ৰ্টছ ক্লাবৰ দীনেশ কুমাৰ সাহানী প্লেয়াৰ অব দ্য টুৰ্ণামেণ্ট, প্ৰবাহ গোষ্ঠীৰ টাজউদ্দিন আহমেদ শ্ৰেষ্ঠ বেটাৰ আৰু ষ্টাৰ স্প'ৰ্টিঙৰ অক্ষয় কুমাৰ ডেকা শ্ৰেষ্ঠ বলাৰৰূপে পৰিগণিত হয়। খেলৰ অন্তত নগাঁও ক্ৰীড়া সংস্থাৰ ক্ৰিকেট শাখাৰ সম্পাদক মৃনাল কুমাৰ হাজৰিকাই আঁতধৰা সামৰণি অনুষ্ঠানত বিশিষ্ট ক্ৰীড়া সংগঠক তপন কুমাৰ দাস, প্ৰদীপ কুমাৰ হাজৰিকা, প্ৰশান্ত কুমাৰ বৰা, আলোক গোস্বামী, অসীম কুমাৰ ভাৱাল, উজ্জল বৰুৱা, অৰ্পণ দাস, মৃনাল কুমাৰ হাজৰিকা, প্ৰান্তৰ ভট্টাচাৰ্য, পৰাণ মহন্তই বঁটাসমূহ বিতৰণ কৰে।

# ছামঠাইবাৰীত এছএছবিৰ উদ্যোগত ভলীবল প্ৰতিযোগিতা, খেলৰ সামগ্ৰী বিতৰণ

**ই-সংবাদ, বৰপেটাৰোড, ১৪ ফেব্ৰুৱাৰীঃ** বৰপেটাৰোডৰ সমীপৰ খৰিজা বিজনীস্থিত ৫৪ বেটেলিয়ন এছএছবি উদ্যোগত আৰু লাবদাংগুৰি এছএছবিৰ শিবিৰৰ উদ্যোগত আজি বাগছা জিলাৰ ছামঠাইবাৰীত দিনযোৰা কাৰ্য্যক্ৰমণিকাৰে কেবাটাও ভলীবল দলৰ মাজত ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত হয়। নাগৰিক কল্যাণ কাৰ্য্যসূচীৰ অধীনত আজি এই কাৰ্য্যক্ৰমণিকা অনুষ্ঠিত কৰে এছএছবিয়ে। আজি দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হোৱা ভলীবল প্ৰতিযোগিতাত কেইবাটাও ভলীবল দলে অংশগ্ৰহণ কৰে। অনন্দদেও নামঘৰ ক্লাব, আছাম ইউথ স্প'ৰ্ট ক্লাব, কাহিতামা মানস ক্লাব, বডোছা ক্লাব, পালছিগুৰি পিঅ'নাৰ ক্লাব, বিৰছা মুণ্ডা স্প'ৰ্ট ক্লাব আৰু জ্ঞাতিগাঁও টাইগাৰ ক্লাবে অংশগ্ৰহণ কৰে। অনন্দদেও নামঘৰ ক্লাব আৰু পালছিগুৰি পিঅ'নাৰ ক্লাবে চেমিফাইনেলত প্ৰৱেশ কৰে। আজি বহুকেইখন সংঘ আৰু বিদ্যালয়ৰ মাজত ৯ খন ভলীবল আৰু ভলীবল নেট, ৯ খন ফুটবল আৰু ফুটবল নেট, ৩ যোৰা বেটমিণ্টন, তিনিখন কেৰম বোৰ্ড আৰু অন্যান্য খেলৰ সামগ্ৰী বিতৰণ কৰে এছএছবিয়ে। আজি উপ কমাণ্ডেণ্ট ৰাজেশ কুমাৰ সিং মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ উপৰিও এছএছবিৰ ৫৪ বেটেলিয়নৰ সহকাৰী কমাণ্ডেণ্ট সঞ্জয় সুত্ৰ, দীপক মিশ্ৰ, তাপৰ ছিয়াম, ভুৱন দত্ত, সতপাল শৰ্মা আৰু অভিষেক কুলহাৰিয়া উপস্থিত থাকে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি